গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226


# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৭ জুলাই, ২০২৬/৩২ আহাৰ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৪ ● Vol - 15, Issue - 14

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।
— সম্পাদক

# ৰাজ্যত গঠন হ'ব ১৪ টা নতুন ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়

**গুৱাহাটী ঃ** অসমৰ প্ৰশাসনিক ইতিহাসত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা কৰি ৰাজ্য চৰকাৰে আৰম্ভ কৰিছে আন এক বিশাল কৰ্মযজ্ঞ। শেহতীয়া সমষ্টি পুনৰ নিৰ্ধাৰ প্ৰক্ৰিয়াৰ পিছত দীৰ্ঘদিন ধৰি চৰি অহা প্ৰশাসনিক খেলিমেলিসমূহ দূৰ কৰাৰ বাবে সমগ্ৰ ৰাজ্যতে ৰাজহ-চক্ৰ আৰু বিধানসভা সমষ্টিসমূহৰ ভৌগোলিক সীমা একেটা পৰিসীমাৰ ভিতৰলৈ অনাৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিধানসভাৰ বাজেট অধিৱেশনৰ সপ্তম দিনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদনত এক ঐতিহাসিক ঘোষণা কৰি কয় যে এতিয়া সমষ্টিৰ ভিতৰতে একোটা ৰাজহ চক্ৰ। 'ৰাজ্যত শীঘ্ৰে গঠন হ'ল ১৪ টা নতুন চক্ৰ বিষয়াৰ কাৰ্যালয়।' মুখ্যমন্ত্ৰীয়ে সদৰী কৰা অনুসৰি নতুনকৈ গঠন কৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়কেইটা হ'ল - বৰপেটা জিলাৰ পাকা-বেতবাৰী আৰু চেঙা, বঙাইগাঁও জিচলাৰ সৃজনগ্ৰাম, কাছাৰ জিলাৰ বৰখলা আৰু ধলাই, ধুবুৰী জিলাৰ বীৰিছিং জাৰুৱা, ডিব্ৰুগড় জিলাৰ খোৱাং, গোৱালপাৰা জিলাৰ জলেশ্বৰ, কামৰূপ (মহানগৰ) জিলাৰ মধ্য গুৱাহাটী, লখিমপুৰ জিলা নাওবৈচা, তিনিচুকীয়া জিলাৰ মাকুম আৰু ডিগবৈ, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ ক্ৰমে ৰঙাপাৰা আৰু বিহালী। মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত উল্লেখ কৰে যে বৰ্তমানৰ প্ৰশাসনিক গাঁথনিৰ বাবে সাধাৰণ ৰাইজ আৰু জনপ্ৰতিনিধিসকলে চৰম অসুবিধাৰ সন্মুখীন হৈ আহিছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত পঞ্চায়তত সীমা সলনি হ'ল যদিও ৰাজহ চক্ৰসমূহ একেই থাকি গ'ল। ইয়াৰ ফলত সৃষ্টি হোৱা কেইটামান ডাঙৰ খেলিমেলি হ'ল- এটা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁওসমূহ আন এটা সমষ্টিৰ বা আনকি আন এখন জিলাৰ অধীনস্থ ৰাজহ চক্ৰ অন্তৰ্ভুক্ত হৈ আছিল।



মেধাৰ সন্মান, শিক্ষাৰ প্ৰতি দায়বদ্ধতা

## বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ প্ৰশংসনীয় পদক্ষেপ



**খাৰিজা বিজনী, জাহিদুল ইছলাম ঃ** শিক্ষাৰ ক্ষেত্ৰত মেধাক সন্মান জনাই আৰু আৰ্থিক অসুবিধাক কোনো ছাত্ৰ-ছাত্ৰীৰ সপোনৰ বাধা হ'বলৈ নিদিয়াৰ এক উজ্বল দৃষ্টান্ত স্থাপন কৰিলে বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে। উচ্চ শিক্ষাৰ বাবে সহায় বিচাৰি সংবাদ মাধ্যমৰ জৰিয়তে আবেদন জনোৱা এজন দুখীয়া অথচ মেধাৱী ছাত্ৰৰ কাষত থিয় হৈ তেওঁ পুনৰ এবাৰ মানৱীয় নেতৃত্বৰ পৰিচয় দাঙি ধৰিছে। বাগ্চা জিলাৰ শালবাৰীৰ পালচিগুৰিৰ মেধাৱী ছাত্ৰ নিজম ব্ৰহ্মই সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰি আইআইটি মাদ্ৰাজত অধ্যয়নৰ সুযোগ লাভ কৰে। কিন্তু আৰ্থিক সংকটৰ বাবে উচ্চ শিক্ষাৰ পথত অনিশ্চয়তা দেখা দিছিল। সংবাদ মাধ্যমত বিষয়টো প্ৰকাশ পোৱাৰ লগে লগে হাগ্ৰামা মহিলাৰীয়ে বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰি তাৎক্ষণিকভাৱে সহায়ৰ ব্যৱস্থা কৰে। তেওঁৰ নিৰ্দেশমৰ্মে বিটিচিৰ ইএম বেগম আখতাৰা আহমেদে ছাত্ৰজনৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সৈতে সাক্ষাৎ কৰে আৰু ছাত্ৰজনৰ উচ্চ শিক্ষাৰ সকলো বাধা আঁতৰাবলৈ এককালীন ৫ লাখ ৫০ হাজাৰ টকাৰ আৰ্থিক সহায় আগবঢ়ায়। এই উপলক্ষে ইএম বেগম আখতাৰা আহমেদে কয়, 'শিক্ষাৰ অভাৱ বা আৰ্থিক সংকটৰ বাবে কোনো মেধাৱী ছাত্ৰৰ সপোন ভাঙি যাবলৈ দিয়া নহ'ব। যোগ্য আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক আগন্তুক দিনতো সাধ্যানুসাৰে সকলোধৰণৰ সহায় আগবঢ়োৱা হ'ব।' হাগ্ৰামা মহিলাৰীৰ এই *৪ পৃষ্ঠাত*

## বৰ্ণাঢ্য-বিশাল আয়োজনেৰে 'ৰাজতিলক থিয়েটাৰ' সাজু ন-ৰূপত, ন- সাজত

ৰাজতিলক থিয়েটাৰৰ নাটৰ আখৰাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সু-সাহিত্যিক তথা আদৰ্শ মাতৃ-মৃণালিনী দেৱীয়ে



**ৰমেন ভৰালী, বংশৰ ঃ** আভিজাত্য আৰু চমকপ্ৰদ আয়োজনৰে জনপ্ৰিয়তাৰ শীৰ্ষত থকা ভ্ৰাম্যমাণৰ অন্যতম প্ৰথম শ্ৰেণীৰ নাট্যদল ৰাজতিলক থিয়েটাৰৰ ২০২৬-২৭ নাট্যবৰ্ষৰ মহাআয়োজনৰে সাজু হৈছে। প্ৰতিটো নাট্যবৰ্ষৰ অভূতপূৰ্ব সাফাল্যৰ ধাৰা অক্ষুন্ন ৰাখি অহা নাট্যবৰ্ষটো এদল ন-পুৰণি নাট্যযোদ্ধাৰ ৰথী-মহাৰথীৰে দৰ্শকৰ ৰুচি সম্পন্ন নাট্যসম্ভাৰ লৈ শক্তিশালী প্ৰযোজনাৰে অসমবাসী ৰাইজৰ মৰম আৰু আশীৰ্বাদ শিৰত লৈ আগন্তুক ২০২৬-২০২৭ বৰ্ষৰ বাবে ২০ সংখ্যক গৌৰৱোজ্জল নাট্যবৰ্ষৰ এক বৰ্ণাঢ্য বিশাল আয়োজন *৪ পৃষ্ঠাত*

## 'ভূঁই ৰোপণ আৰু কৃষক ৰাইজক কঠিয়া বিতৰণ' কাৰ্যসূচীত ৰঞ্জিত ভট্টাচাৰ্য




**ৰমেন ভৰালী, বংশৰ ঃ** কৃষক, কৃষি আৰু অসমৰ সমৃদ্ধিৰ দিশে এক শক্তিশালী পদক্ষেপ। কৃষকৰ কষ্ট, মাটিৰ সৈতে সম্পৰ্ক আৰু উন্নয়নৰ অংগীকাৰক সন্মান জনাই ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চাৰ উদ্যোগত আৰু 'আকাংক্ষা কৃষি গোট'ৰ সহযোগত যোৱা ১২ জুলাইত 'ভূঁই ৰোপণ আৰু কৃষক ৰাইজক কঠিয়া বিতৰণ'ৰ এক ব্যতিক্ৰমী কাৰ্যসূচীত অংশগ্ৰহণ কৰে ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চা অসম ৰাজ্যিকৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। প্ৰতি বছৰে খেতিপথাৰত নামি কৃষকসকলৰ *৪ পৃষ্ঠাত*

# উত্তৰ পকোৱা স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি




**নগেন তালুকদাৰ, নলবাৰী ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত নলবাৰী জিলাৰ উত্তৰ পকোৱা স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন বৰনৰ্দীস্থিত পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত সফলতাৰে সম্পন্ন হৈ যায়। 'সাহিত্য জাতিৰ দাপোন' সেয়ে নৱ প্ৰজন্মক স্বজাতিৰ ভাষা-সংস্কৃতিৰ বৰভেটিৰ শিপাৰ আৱেগেৰে সিক্ত কৰাৰ কিঞ্চিত প্ৰয়াস হাতত লৈ উত্তৰ পকোৱা স্বৰ্ণ শাখা সাহিত্য সভাই এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত কৰে। কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত চাফাই কাম হৈ যোৱাৰ পিচত ৯ বজাত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখাটোৰ সভাপতি মুকুল কুমাৰ শৰ্মাই। ৯-২০ বজাৰ ৰায়বাহাদুৰ পদ্মনাথ গোহাই বৰুৱা, পণ্ডিতপ্ৰৱৰ শৰৎ চন্দ্ৰ গোস্বামী, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ কাৰ্যসূচীত বন্তি প্ৰজ্বলক হিচাপে মৰমী শৰ্মা, বিজয় তালুকদাৰ, মীৰা ৰাণী ডেকা আৰু স্মৃতি তৰ্পক হিচাপে ত্ৰৈলোক্য বৰ্মন, বসন্ত কুমাৰ ডেকা, ধনেশ্বৰ মালাকৰে ভাগ লয়। গছপুলি ৰোপণত ৰোপক হিচাপে খচনুৰ আহমেদ, নবীন ভট্টাচাৰ্য্য, আনোৱাৰ হুছেইনে ভাগ লয়। ১০ বজাত শাখাটোৰ সভাপতি মুকুল কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিষয় বাছনি সভাত শাখাটোৰ সম্পাদক সুশীল ভূষণ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে দুবছৰীয়া সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। এই সভাখনত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতাই সমিতি গঠনৰ নীতি-নিয়মখিনি সুন্দৰভাৱে বুজাই দিয়াৰ পিচত পুৰণা সমিতিখনৰ হৈ সভাপতিয়ে পদত্যাগ কৰাৰ পিচতেই শাখাটোৰ পূৰ্বৰ সভাপতি মুকুল কুমাৰ শৰ্মাক সভাপতি আৰু সুশীল ভূষণ শৰ্মাক সম্পাদক হিচাপে লৈয়ে পূৰ্বৰ সমিতিখনকে বিষয় বাচনি সভাত উপস্থিত থকা সমূহ সদস্যৰ সৰ্বসন্মতিক্ৰমে বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দুপৰীয়া ১২ বজাত শাখাটোৰ নৱনিৰ্বাচিত সভাপতি মুকুল কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি অধিৱেশনক শাখাটোৰ আজীৱন সভ্যসকলে পৰিৱেশন কৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটোৰে আদৰি আনে। শাখাটোৰ নৱনিৰ্বাচিত সম্পাদক সুশীল ভূষণ শৰ্মাই সভাৰ উদ্দেশ্য বাখ্যা কৰাৰ পিচত পানীগাঁও মিলন হাইস্কুলৰ শিক্ষয়িত্ৰী ইনালী দত্তই কোকিল কণ্ঠেৰে সকলোৰে অন্তৰ চুই যোৱা এটি গীত পৰিৱেশন কৰি সভাত উপস্থিত থকা সকলো সাহিত্যপ্ৰেমী লোককে আপ্লুত কৰি তোলে। শাখাটোৰ পত্ৰিকাখন উন্মোচন কৰে সাহিত্যিক পেঞ্চনাৰ গোকুল চন্দ্ৰ ডেকাই। পত্ৰিকাখন উন্মোচন কৰি ডেকাই সাহিত্য সভাৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে বুলি কয়। লগতে সত্যনাথ বৰাই কোৱা কথাফাঁকি এখন গ্ৰন্থ হ'ল থুপাই থোৱা জ্ঞানৰ ভাণ্ডাৰ। সেয়ে গ্ৰন্থ প্ৰতিগৰাকী ব্যক্তিকে পঢ়াৰ বাবে আহ্বান জনায় গ্ৰন্থ উন্মোচকে। এই সভাখনতে বীৰেন দত্তৰ কবিতা পুথি 'অশান্ত হৃদয়ৰ শব্দ' আৰু প্ৰণৱজ্যোতি ডেকাৰ কবিতা পুথি 'অনুভৱৰ আঁক-বাক' পুথিদুখন উন্মোচন কৰে বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাউকন চন্দ্ৰ ডেকাই। গ্ৰন্থ দুখন উন্মোচন কৰি ডেকাই কয় যি জাতিৰ সাহিত্য নাই, সেই জাতিৰ অস্তিত্ব নাই। সেয়ে সাহিত্য সাধনাৰে সমাজ সংস্কাৰ কৰিবলৈ সকলোকে আহ্বান জনায়। লগতে কাব্য সাহিত্যৰ ক্ষেত্ৰখনত নামি পৰা দুয়োগৰাকী কবিকে আৰু ন-ন কবিতাৰ সৃষ্টি কৰি সমাজ পৰিৱৰ্তন কৰিবলৈ আহ্বান জনায়। সভাত মুখ্য অতিথি হিচাপে বৰভাগ মহাবিদ্যালয়ৰ আধ্যাপক ড° সুশান্ত কুমাৰ কাশ্যপে ভাগ লৈ কয় অসমীয়া ভাষা স্বতন্ত্ৰ আৰু আটাইতকৈ পুৰণি ভাষা। অসমীয়া ভাষা অন্য ভাষাৰ আমদানি ভাষা নহয়। সেয়ে অসমীয়া ভাষা সকলো ভাষাৰ উৰ্ধত থকা ভাষা বুলি কোৱাৰ লগতে কাশ্যপে অসমীয়া ভাষাৰ ওপৰত বিস্তৃত বাখ্যা দাঙি ধৰে। সভাপতিৰ আসনৰ পৰা শৰ্মাই বক্তব্য আৰু মন্তব্য ৰখাৰ পিচত অসম সংগীত পৰিৱেশনেৰে সভা সামৰণি পৰা বুলি ঘোষণা কৰে। পিচত বিয়লি ৩ বজাত প্ৰীতি ভোজনেৰে উত্তৰ পকোৱা স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখনৰ সফল সামৰণি পৰে।

# সদায় শিকি নাথাকিলে এসময়ত দক্ষ শিক্ষকো অপ্ৰাসংগিক হৈ পৰে বীণাপাণি একাডেমীত শিক্ষক প্ৰশিক্ষণ

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** গুৱাহাটীৰ বৰগাঁৱৰ বীণাপাণি একাডেমীত ৮ জুলাইত এটি শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষ চম্পক কলিতাই অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে চাকৰিকালত শিক্ষকসকলৰ বাবে নিয়মীয়া প্ৰশিক্ষণ অতি প্ৰয়োজন। পাঠ্যক্ৰমৰ নতুনত্ব, বিষয়বস্তুৰ গভীৰতাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ বৃত্তিগত উৎকৰ্ষ সাধন কৰাটো দৰকাৰ। আলোচনাত মুখ্য সমল ব্যক্তি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে সদায় শিকি নাথাকিলে এসময়ত ভাল শিক্ষক এজনো ছাত্ৰ-ছাত্ৰীৰ বাবে অপ্ৰাসংগিক হৈ পৰে। শিক্ষকে নিজৰ দুৰ্বলতাখিনি সবল কৰাৰ ক্ষেত্ৰত এনে প্ৰশিক্ষণে বিশেষ সহায় কৰে। তেওঁ কয় যে শিক্ষকসকলে শিক্ষাৰ্থীসকলক বিষয়বস্তুৰ স্পষ্টতা আহৰণ দক্ষতাৰ বিকাশ ঘটাব নোৱাৰিলে, তেনে শিক্ষাৰ্থীৰ পৰা ভাল ফল আশা কৰিব নোৱাৰে। বিদ্যালয় পৰ্যায়ত শিক্ষাৰ্থীসকলক লিখন-পঠনৰ ভেটি শক্তিশালী কৰাৰ লগতে সাংখ্যিক জ্ঞানৰ আধাৰ নিৰ্মাণ কৰিবলৈ শিক্ষকসকল দায়বদ্ধ হোৱা উচিত। শিক্ষকে শিক্ষাৰ্থীৰ মনোজগতখনৰ লগতে শাৰীৰিক সমস্যা সম্পৰ্কেও সদায় সজাগ থকা দৰকাৰ। বৈশ্যই আৰু কয় যে শিক্ষকসকলে পুৰণিকলীয়া শিক্ষা পদ্ধতিৰ পৰিধিৰ বাহিৰলৈ আহি আধুনিক তথা বিজ্ঞানসন্মত শিকনশৈলীৰ সৈতে একাত্ম হ'ব লাগিব। তাৰোপৰি শিক্ষকসকল অধ্যয়নশীল হোৱাৰ ওপৰতো তেখেতে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে সফলতাই জীৱনৰ চূড়ান্ত নহয়, সেইদৰে বিফলতাও জীৱনৰ বাবে মাৰাত্মক নহয়। বিফলতাৰ পৰাও জীৱনে উন্নতি শিখৰত অৱস্থান কৰিব পাৰে। বিদ্যালয়ৰ দুৰ্বল ছাত্ৰক শিক্ষকসকলে সফলতাৰ বাবে অনুপ্ৰাণিত কৰাটোও অতি গুৰুত্বপূৰ্ণ কথা।

# ঐতিহাসিক জামুগুৰি সাৰ্ব্বজনীন গৰখীয়া থানত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱৰ আয়োজন

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ নিচেই কাষৰ ইতিহাস প্ৰসিদ্ধ জামুগুৰি গাঁওখনিৰ আছে এক বিশেষ বৈশিষ্ট্য। এই গাঁওখনিত অৱস্থিত প্ৰায় তিনিশৰো অধিক বছৰ পুৰণি সাৰ্ব্বজনীন গৰখীয়া থানভাগ আজিও স্ব-মহিমা আৰু স্ব-গৰিমাৰে উজ্জীৱিত হৈ আছে। এই ঐতিহাসিক থানখনিত প্ৰতি বছৰে উদ্‌যাপিত হৈ অহা এটি বাৰ্ষিক অনুষ্ঠান হৈছে 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি। জনবিশ্বাস মতে, পৰম্পৰাগতভাৱে প্ৰতি বছৰে বেছ ওলহ-মালহেৰে অনুষ্ঠিত কৰি অহা এই উৎসৱভাগত শুদ্ধ মন আৰু সৰলভাৱে কোনো লোকে যদি শৰাই-সঁফুৰা আগবঢ়াই তেন্তে তেনেলোকৰ অপূৰণ অভীপ্সা পূৰণ হয়। সেয়ে এনে গভীৰ বিশ্বাসেৰে বছৰৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ভক্ত আহি ইয়াত শৰাই-নৈবেদ্য আগবঢ়ায়। এইবেলি ৩২ তম্ বাৰ্ষিক এই 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱটি অহা ২৫ আৰু ২৬ জুলাইত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদ্‌যাপনৰ দিহা কৰা হৈছে। তদনুযায়ী, দেৱেন চন্দ্ৰ নাথক সভাপতি, গম্ভীৰ নাথক কাৰ্যকৰী সভাপতি, অনিল চন্দ্ৰ নাথ (নগাঁও) আৰু মিলন চন্দ্ৰ নাথক উপ-সভাপতি, অনিল চন্দ্ৰ নাথ (জামুগুৰি)ক সম্পাদক তথা গোলাপ নাথ আৰু লক্ষী কুমাৰ নাথক সহঃ সম্পাদক হিচাপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে প্ৰয়োজনীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা ৭ বজাত ধেনুৰাম নাথ, পোনাৰাম নাথ, মাধৱ নাথ, ভূৱন নাথ, গোলাপ নাথ, চেনাৰাম নাথ, কমল নাথ আৰু কমল মহন্তৰ পৰিচালনাত পৰিৱেশ নিকাকৰণৰ অন্তত থানঘৰীয়া টংকেশ্বৰ নাথৰ দ্বাৰা মণিকূটত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ শুভাৰম্ভ কৰাৰ পিছতে উদ্‌যাপন সমিতিৰ সভাপতি দেৱেন চন্দ্ৰ নাথে ধৰ্মধ্বজা উত্তোলনৰ লগতে স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই। ইয়াৰ পিছতে মুনিন্দ্ৰ নাথৰ দ্বাৰা কীৰ্তন পাঠ, গায়ন বিৰেন নাথ আৰু বায়ন ৰুহিত নাথৰ পৰিচালনাত খোল আৰু নাম-প্ৰসংগৰ অন্তত বিয়লি ভাগৱত পাঠ অনুষ্ঠিত হ'ব। বেবেজীয়াৰ বিনন্দ চন্দ্ৰ বৰদলৈয়ে শুভ উদ্বোধন কৰিবলগীয়া ভাগৱত পাঠত পাঠাচাৰ্য হিচাপে ৰহা সৰাগাঁৱৰ অনিল নাথ, মৰিগাঁৱৰ মহেন্দ্ৰ নাথ বৈষ্ণৱ আৰু কুৰুৱাবাহীৰ সুশীল নাথ উপস্থিত থাকিব। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কৰা হ'ব। ঠিক সেইদৰে দ্বিতীয় দিনা পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ আৰু ভক্তপ্ৰাণ সেৱকীসকলে আগবঢ়োৱা শৰাই উছৰ্গাৰ অন্তত অনন্ত নাথৰ দ্বাৰা কীৰ্তন পাঠ পৰিৱেশন কৰা হ'ব। ইয়াৰ পিছতে গায়ন হেমকান্ত নাথ আৰু বায়ন মুহিধৰ নাথৰ দ্বাৰা খোল আৰু নাম-প্ৰসংগ, ধনেশ্বৰ নাথৰ দ্বাৰা কীৰ্তন পাঠৰ অন্তত গোপাল ভোগ পৰিৱেশন কৰা হ'ব। দুপৰীয়া মুনিন্দ্ৰ নাথ আৰু অনন্ত নাথৰ পৰিচালনাত মহানামৰ শুভাৰম্ভ কৰা হ'ব। এই মহানাম বাবলু কুমাৰ নাথৰ নেতৃত্বত মৰিগাঁও আঞ্চলিক নামতি দলে পৰিৱেশন কৰিব। ইফালে, বিয়লি মহানামৰ সামৰণিৰ পিছতে প্ৰসাদ বিতৰণ আৰু সমূহীয়া ঘোষা পৰিৱেশনেৰে উক্ত 'গৰখীয়া সবাহ আৰু শৰাইৰ এদিন' উৎসৱৰ যৱনিকা পেলোৱা হ'ব বুলি উদ্‌যাপন সমিতিৰ সম্পাদক অনিল চন্দ্ৰ নাথে জানিবলৈ দিছে।

# 'কায়াকল্প' মূল্যায়নত শীৰ্ষ স্থান দখল কৰিলে শিৱসাগৰৰ খেলুৱা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ চিকিৎসা সেৱাৰ ইতিহাসত এক অভূতপূৰ্ব আৰু গৌৰৱোজ্বল অধ্যায়ৰ সূচনা কৰিবলৈ সক্ষম হ'ল খেলুৱা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই (Khelua BPHC)। ৰাজহুৱা স্বাস্থ্যসেৱাৰ মান নিৰূপণকাৰী দেশৰ দুখনকৈ মৰ্যাদাপূৰ্ণ মূল্যায়নত খেলুৱা খণ্ড স্বাস্থ্য কেন্দ্ৰই জিলাখনৰ ভিতৰতে প্ৰথমবাৰৰ বাবে শীৰ্ষ স্থান দখল কৰি এক অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। অলপতে অনুষ্ঠিত হোৱা 'কায়াকল্প' (Kayakalp) মূল্যায়নত সমগ্ৰ শিৱসাগৰ জিলাৰ ভিতৰতে প্ৰথম স্থান অৰ্জন কৰাৰ লগতে এই খণ্ড স্বাস্থ্য কেন্দ্ৰটোৰ অধীনস্থ আখৈফুটীয়া আয়ুষ্মান আৰোগ্য মন্দিৰে (Akhoiphutia AAM) 'NQAS' (National Quality Assurance Standards) মূল্যায়নতো জিলাখনৰ ভিতৰত প্ৰথম স্থান লাভ কৰি দুটিকৈ মুকুট পিন্ধিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, খেলুৱা BPHC-ৰ ইতিহাসত এইয়া এক অভূতপূৰ্ব বিৰল ঘটনা। খেলুৱা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এই চমকপ্ৰদ আৰু ঐতিহাসিক সাফল্যৰ আঁৰত থকা মূল ব্যক্তিজন হ'ল অলপতে কাৰ্যভাৰ গ্ৰহণ কৰা কেন্দ্ৰটোৰ দক্ষ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া (SDM&HO) ডাঃ বিমান গগৈ (Dr. Biman Gogoi)। তেখেতে যোগদান কৰাৰ অতি কম দিনৰ ভিতৰতে তেওঁৰ সৱল প্ৰচেষ্টা, সঠিক দিক্‌দৰ্শন আৰু সমগ্ৰ কৰ্মকৰ্তাসকলক একগোট কৰি কাম কৰাৰ যি অনন্য শৈলী প্ৰদৰ্শন কৰিলে, তাৰ ফলস্বৰূপেই স্বাস্থ্য কেন্দ্ৰটোৱে এই সফলতাৰ শিখৰত উপনীত হৈছে। তেখেতৰ বলিষ্ঠ নেতৃত্বতেই এই যুটীয়া ঐতিহাসিক সফলতা সম্ভৱ হৈ উঠিছে বুলি সকলোৱে মত প্ৰকাশ কৰিছে। প্ৰথমবাৰৰ বাবে লাভ কৰা এই যুগান্তকাৰী সফলতাই সমগ্ৰ খেলুৱা অঞ্চলৰ লগতে শিৱসাগৰ জিলা স্বাস্থ্য বিভাগলৈ এক বিপুল উৎসাহ আৰু আনন্দ কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। সচেতন মহল আৰু স্থানীয় ৰাইজৰ লগতে শিৱসাগৰ জিলা ইণ্ডিয়ান জাৰ্নেলিষ্ট ফেডাৰেশ্যন(IJF) এ চিকিৎসালয়খনৰ এই অভূতপূৰ্ব পৰিৱৰ্তনক ভূয়সী প্ৰশংসা কৰাৰ লগতে কায়াকল্প আৰু NQAS-ৰ মজিয়াত খেলুৱাক শীৰ্ষত বহুওৱাৰ বাবে ডাঃ বিমান গগৈ আৰু সমগ্ৰ চিকিৎসক, নাৰ্ছ, চাফাইকৰ্মী তথা সহযোগী স্বাস্থ্যকৰ্মীসকলক আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিছে।

# বীজ বোমা দলিয়াই অৰণ্যপ্ৰেমৰ অনন্য নিদৰ্শন নগাঁৱৰ 'প্ৰকৃতি-দ্য নেচাৰ'ৰ বন্যপ্ৰাণীক খাদ্য যোগানৰ পৰিকল্পনাৰে সেউজীয়াৰ যুঁজত নামিছে ১২ সেনানী




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমৰ গ্ৰামাঞ্চলসমূহত ক্ৰমাৎ বৃদ্ধি পাই আহিছে হাতী-মানুহৰ সংঘাত। ইয়াৰ সমান্তৰালভাৱে দিনকদিনে বৃদ্ধি পাইছে বান্দৰৰ উপদ্ৰৱো। যাৰ ফলশ্ৰুতিত বনৰীয়া জীৱ-জন্তুৰ এনে উপদ্ৰৱৰ বাবেই বহু কৃষকে অনিচ্ছাকৃতভাৱে হ'লেও কৃষিকৰ্ম এৰিবলগীয়া হৈছে। পৰিণতিত বাৰুকৈয়ে থৰক-বৰক হৈ পৰিছে গ্ৰাম্য অৰ্থনীতি। সেয়ে গ্ৰাম্য সমাজৰ এনে ভয়াৱহ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিয়েই নগাঁৱত ওলাই আহিছে এদল 'বীজ বোমাৰু'। জানিব পৰা মতে, এই দলটোৰ সেনানীসকলে সম্প্ৰতি নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৰ পাহাৰীয়া অঞ্চল বা পাহাৰৰ নামনিত সিঁচি গৈছে আম, কঁঠাল, অমিতা, মধুৰীআম, বগৰী, ৰঙালাও আদিকে ধৰি বিভিন্ন ফলমূলৰ গুটি। আচলত, নগাঁও জিলাৰ মৌখাতিৰ প্ৰকৃতিপ্ৰেমী যুৱক সঞ্জীৱ কুমাৰ বৰাৰ নেতৃত্বত ২০২৪ চনৰ ১০ আগষ্টত গঠন হোৱা 'প্ৰকৃতি-দ্যা নেচাৰ' নামৰ গ্ৰুপটোৰ উদ্যোগতে ৰূপায়ণ কৰা হৈছে এই প্ৰশংসনীয় কাৰ্যসূচী। ইয়াৰ পূৰ্বে বিগত বৰ্ষত তেওঁলোকে নগাঁৱৰ গমাৰিআটি, পুখুৰীবস্তি, বৰকন্দলী, শিৰস্থান পাহাৰ স্থানীয় ভাষাত 'মেচুলংজন' নামে পৰিচিত পাহাৰীয়া অঞ্চলত এই কাৰ্য সুকলমে সম্পাদন কৰাৰ পিছত এতিয়া জিলাখনৰ লুংচুং চাহ বাগিছাৰ অন্তৰ্গত হদহদী জলপ্ৰপাতৰ দাঁতি কাষৰীয়া অঞ্চলত বিভিন্ন বীজৰ বোমা নিক্ষেপ কৰে। আনকি, এই পাহাৰীয়া অঞ্চলটোৰ কিছু মুকলি ঠাইত তেওঁলোকে ৰোপণ কৰে আম আৰু জামুকৰ পুলি। সঞ্জীৱ কুমাৰ বৰা, ভৱজিৎ কুমাৰ শইকীয়া, বিতোপন কোঁৱৰ, মুনীন্দ্ৰ বৰা, ফাহাদ টহচিন ৰেহমান, পল্লৱজ্যেতি শইকীয়া, নৱকৃষ্ণ হাজৰিকা, শেৱালি বৰ্মন, সন্তোষ নায়ক, অমৃত খাকলাৰী, বিকাশ তিমুং আৰু চূনু ভূমিজৰ পৰিশ্ৰমৰ বিনিময়ত সফলতাৰে ৰূপায়ণ হয় এই কাৰ্যসূচী। উল্লেখ্য যে, 'বীজ বোমা'ৰ সেনানীসকলে মোনাত বিভিন্ন ফলমূলৰ বীজ ভৰাই অৰণ্য ফালি পাহাৰ বগাই সম্পাদন কৰে এই পৰ্ব। তদুপৰি কেটেপোৰ সহায়তো দূৰলৈ নিক্ষেপ কৰে কঠালৰ গুটি। আচলতে, খাদ্যৰ সন্ধানত যাতে বন্য জীৱ-জন্তু জনাঞ্চললৈ আহি মানুহৰ অনিষ্ট সাধন নকৰে বা সংঘাত ৰোধ হয় তাৰবাবেই তেওঁলোকৰ এই প্ৰচেষ্টা আৰু চিন্তা।

# মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনি ৰূপায়ণ বাবে উদ্যোগ মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত বৈঠক



**গুৱাহাটী ঃ** অসম চৰকাৰৰ এক ধ্বজাবাহী আঁচনি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বড়াই বিভিন্ন বেংক আৰু জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়াসকলৰে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। জনতা ভৱনৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত সভাখনত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰীসকলে যাতে সহজে মুদ্ৰা ঋণ, পি এম এফ এম ই, পিএম ইজিপি আদিৰ সুবিধা গ্ৰহণ কৰি ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখনত সফলতা লাভ কৰি আগুৱাই যাব পাৰে তাৰ বাবে বিভিন্ন বেংকৰ বিষয়াসকলক সহায় কৰিবলৈ উদ্যোগ মন্ত্ৰী বড়াই আহ্বান জনায়। অসমৰ যুৱচামে এই আঁচনিখনৰ সুবিধা গ্ৰহণ কৰি ব্যৱসায় বাণিজ্যৰ জৰিয়তে যাতে ৰাজ্যৰ অৰ্থনৈতিক বিকাশত বৰঙণি যোগাব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰায় দুই লাখ যুৱক-যুৱতীক দুই লাখকৈ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰিছে। পৰৱৰ্তী পৰ্যায়ত ব্যৱসায় সম্প্ৰসাৰণৰ বাবে যুৱক-যুৱতীসকলে যাতে আগবাঢ়ি যাব পাৰে তদুপৰি বেংকসমূহৰ পৰা যাতে তেওঁলোকে সহজে বিভিন্ন আঁচনিৰ সহায় লৈ ঋণ লাভ কৰিব পাৰে তাৰ বাবে জিলা উদ্যোগ কেন্দ্ৰৰ প্ৰবন্ধকসকলে চিএম ফেল সকলক লগত লৈ হিতাধিকাৰী সকলক সমৰ্থবান কৰি তোলাৰ ওপৰতো সভাত গুৰুত্ব আৰোপ কৰা হয়। এই ক্ষেত্ৰত উদ্যোগ বিভাগ আৰু বেংক শাখাসমূহৰ সহযোগত হিতাধিকাৰীসকলক সজাগ কৰি তোলাৰ বাবেও বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বৈঠকত উদ্যোগ বিভাগৰ দায়িত্বত থকা ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ড° জেবিএক্কা, মুখ্য মন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ মুখ্য কাৰ্যবাহী বিষয়া নৰেন্দ্ৰ শ্বাহ, বিভিন্ন বেংকৰ বিষয়া তথা জিলা উদ্যোগ কেন্দ্ৰৰ প্ৰবন্ধকসকল উপস্থিত আছিল।

# বৰ্ণিবাৰী আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত বৰ্ণিবাৰীত অভিনন্দন অনুষ্ঠান



**নগেন তালুকদাৰ,নলবাৰী ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত, নলবাৰী জিলা সাহিত্য সভাৰ অন্তৰ্ভুক্ত, বৰ্ণিবাৰী আঞ্চলিক শাখা সাহিত্য সভাৰ উদ্যোগত ১১ জুলাইত বৰ্ণিবাৰী মিলন হাইস্কুল প্ৰাংগণত অভিনন্দন অনুষ্ঠান এটি অনুষ্ঠিত হয়। বৰ্ণিবাৰী আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি মাধৱ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অঞ্চলটোৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত সুখ্যাতি অৰ্জন কৰা মুঠ চৈধ্যগৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। অনুষ্ঠানত কৃতি শিক্ষাৰ্থীসকলক ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু একোটিকৈ স্মাৰকেৰে অভিনন্দন জ্ঞাপন কৰা হয়। অভিনন্দন অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বীপজ্যোতি বৰপূজাৰীয়ে কৃতী শিক্ষাৰ্থীসকলক উদ্দেশ্যি সাম্প্ৰতিক সময়ত আমাৰ সমাজত বহু উচ্চশিক্ষিত লোকে শিক্ষা আহৰণ কৰাৰ পিছত সুপ্ৰতিষ্ঠা লাভ কৰি নিজৰ পিতৃ-মাতৃ তথা সমাজখনৰ প্ৰতি দায়বদ্ধ হোৱা দেখা নাযায়, তাৰ বিপৰীতে নিজে বিলাসী জীৱন কটোৱাতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। তেনে অজ্ঞানী বিবেকহীন লোকক লৈ সমাজে গৌৰৱ নকৰে। সেয়ে শিক্ষাৰ্থীসকলে কেৱল শিক্ষা আহৰণ কৰিলেই নহ'ব প্ৰকৃতাৰ্থত জ্ঞানী হ'বলৈ যত্ন কৰিব লাগিব বুলি উদ্‌গনিমূলক ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক নৰেশ্বৰ কলিতা, বৰপেটা জিলাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মইনুল হক চৌধুৰী, শিক্ষক কুলেন বৰ্মন, দীনেশ ডেকা, সত্যৰাম দাস প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নৈনে চকৰিগাঁৱত বাহকজনিত ৰোগৰ সজাগতা সভা সম্পন্ন




**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ কঠিয়াতলি খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্ভুক্ত নৈনে চকৰিগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰ আয়ুষত মেলেৰিয়া, জাপানীজ এনকেফ্লাইটিছ আৰু ডেংগু আদি বাহকজনিত ৰোগৰ ওপৰত যোৱা ১৫ জুলাই তাৰিখ বুধবাৰে এখন সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। নৈনে চকৰিগাঁৱৰ জ্যেষ্ঠ ব্যক্তি তথা বিশিষ্ট সমাজকৰ্মী যোগেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বহুমুখী স্বাস্থ্যকৰ্মী লক্ষ্যজ্যোতি বৰাই। নৈনে চকৰিগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰ আয়ুষৰ সামূহিক স্বাস্থ্য বিষয়া ডাঃ এমদাদুল ইচলামে আদৰণি ভাষণ প্ৰদান কৰা সভাখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে নৈনে ৰাজ্যিক চিকিৎসালয়ৰ তদাৰক কৰ্মী মিত্ৰকমল বৰা আৰু আশা পৰিদৰ্শিকা ৰিজুমণি বৰাই। নিজৰ বক্তব্যত মেলেৰিয়া বিভাগৰ তদাৰক কৰ্মী মিত্ৰকমল বৰাই বাহকজনিত ৰোগৰ উৎপত্তি, ইয়াৰ লক্ষণসমূহ আৰু ৰাইজে ল'ব লগা সাৱধানতা অৱলম্বন সন্দৰ্ভত সবিশেষ ব্যাখ্যা আগবঢ়ায়। উক্ত সভাত উপস্থিত থাকে - সমাজসেৱক প্ৰণৱ হাজৰিকা, নৈনে চকৰিগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰৰ যোগাসন প্ৰশিক্ষক বিনু দাস, আশাকৰ্মী মিনতি বৰা প্ৰমুখ্যে বহু গণ্য-মান্য লোক। সভাৰ সফল ৰূপায়ণ হোৱা বাবে লক্ষ্যজ্যোতি বৰাই সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে।

# দদৰাত কলা কৰ্মশালা আৰু কলা মহোৎসৱৰ আয়োজন

**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত দদৰা সাংস্কৃতিক মঞ্চৰ উদ্যোগত অহা ২২ জুলাইৰ পৰা ২৬ জুলাই লৈ অনুস্থিত হ'ব কলা কৰ্মশালা আৰু কলা মহোৎসৱ। উক্ত অনুষ্ঠানত নৱ প্ৰজন্মক উদ্ভাষিত কৰাৰ উদ্দেশ্য আগত ৰাখি বিহুগীত, লোকগীত, বনগীত, জ্যোতি সংগীত, ৰাভা সঙ্গীত, ভূপেন্দ্ৰ সঙ্গীত আৰু জুবিন সংগীতৰ প্ৰশিক্ষণৰ লগতে চিত্ৰকলাৰো প্ৰশিক্ষণ দিয়া হ'ব। তদুপৰি উদীয়মান চিত্ৰশিলপীৰ চিত্ৰ প্ৰদৰ্শনী, গ্ৰন্থ প্ৰদৰ্শনী, বৃক্ষ প্ৰদৰ্শনী আৰু পুতলা নাচ প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। গীত সমূহ জেপি দাস, জুবলী বৰুৱা, মৃণালকান্তি মেধি, কল্লোল বৰঠাকুৰ, নিৰ্মালি দাস, বিমান বৰুৱা আৰু শৈলেন গগৈৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হ'ব। প্ৰতিদিনাই প্ৰশিক্ষণৰ অন্তত সংগীত প্ৰতিযোগিতা আৰু চিত্ৰকলাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। বিজয়ী প্ৰতিযোগিক নগদ ধন ক্ৰমে ৫ হাজাৰ, ৪ হাজাৰ, ৩ হাজাৰ টকা আৰু মানপত্ৰৰে সন্মানিত কৰা হ'ব সবিশেষ জানিবলৈ ৮৬৩৮৬৬৫০২২ আৰু ৮৪৮৬৮৬৪৩২৪ নম্বৰ ব্যৱহাৰ কৰিব পাৰিব বুলি সভাপতি কুশল দাস আৰু সম্পাদক ভাস্কৰ জ্যোতি দাসে জানিবলৈ দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা

## ‘ভূঁই ৰোপণ আৰু কৃষক ৰাইজক কঠিয়া বিতৰণ’ কাৰ্যসূচীত ৰঞ্জিত ভট্টাচাৰ্য

লগত একাত্ম হৈ কৃষকসকলক নিৰন্তৰ উৎসাহ আৰু সাহস প্ৰদান কৰি অহা ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যক কৃষকৰ ৰূপত দেখা যায়। কৃষক নেতাগৰাকীয়ে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চা আৰু আকাংক্ষা কৃষিগোটৰ সহযোগত কৃষকসকলৰ লগত ‘ভূঁই ৰোপণ আৰু কৃষক ৰাইজক কঠিয়া বিতৰণ’ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যক সংগ দিয়ে কমলপুৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক দিগন্ত কলিতাই। লক্ষণীয় যে বিগত কেইবাবছৰ ধৰি কৃষকসকলৰ কৃষিকাৰ্যত উৎসাহ আৰু প্ৰেৰণা দি, বিশেষকৈ জৈৱিক কৃষিকৰ্মৰ প্ৰতি এক বিপ্লৱৰ সূচনা কৰাত অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই। কৃষক নেতাগৰাকীৰ এটাই উদ্দেশ্য মাথোঁ- কৃষিখণ্ডক লৈ মুখ্যমন্ত্ৰীৰ যি আশা, সপোন, তাক সাকাৰ ৰূপত প্ৰতিফলিত কৰা আৰু কৃষিৰ জৰিয়তে বজাৰ দখল কৰা। তাৰ অংশ হিচাপে প্ৰতিক্ষণত আকাংক্ষা কৃষিগোটৰ লগত নিৰন্তৰ সেৱাত থকা ৰঞ্জিত ভট্টাচাৰ্যই কৃষি কাৰ্যত উপস্থিত থাকি বাৰিষাৰ কৃষিপথাৰত নামি পৰে। বিধায়ক দিগন্ত কলিতাৰ উপস্থিতিত কৃষক মৰ্চাৰ নেতাগৰাকীয়ে তিনি-চাৰি ঘণ্টা কৃষকসকলৰ কৃষিকাৰ্যত একাত্ম হৈ অতিবাহিত কৰে। আনকি কৃষকৰ প্ৰতি দেখুওৱা ৰঞ্জিত ভট্টাচাৰ্যৰ এনে কৰ্মস্পৃহা আৰু উৎসাহ, অনুপ্ৰেৰণা লগতে বিধায়ক দিগন্ত কলিতাক কাষত পাই অভিভূত হৈ গাঁওখনৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ কৃষকে তেওঁক কৃতজ্ঞতা জনোৱাৰ লগতে শলাগ লয়। অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সপোন সাকাৰ ৰূপ দিয়াৰ বাবে বিজেপি কৃষক মৰ্চাৰ উদ্যোগত আৰু আকাংক্ষা কৃষিগোটৰ সহযোগত আয়োজন কৰা ভূঁই ৰোৱা আৰু কঠীয়া বিতৰণ পৰ্বত ৰঞ্জিত ভট্টাচাৰ্যই কেইবাজনো খেতিয়কৰ মাজত কঠীয়া বিতৰণ কৰে আৰু কৃষক নেতাজনে নিজেই আকাংক্ষা কৃষিগোটৰ খেতিয়কসকলৰ লগত প্ৰথমে কঠীয়া উঠোৱা পৰ্বত ভাগ লয়। ইয়াৰ পিছত ভূঁই ৰোৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ৰঞ্জিত ভট্টাচাৰ্য আৰু দিগন্ত কলিতাই ট্ৰেক্টৰ চলাই, কোৰ মাৰি বোকা-পানীৰে মাটি উপযোগী কৰি লয়। স্মৰ্তব্য যে দুমাহ পূৰ্বে ৰঞ্জিত ভট্টাচাৰ্যই নিজেই বোকা-পানী গচকি কোৰ মাৰি, ট্ৰেক্টৰ চলাই মাটি চাহ কৰি কঠীয়া সিঁচাৰ বাবে মাটি উপযোগী কৰাত কৃষকসকলক সহায় কৰিছিল। প্ৰায় ডেৰ ঘণ্টা খেতিপথাৰত নামি কঠীয়া সিঁচা পৰ্ব আনুষ্ঠানিকভাৱে মুকলি কৰি দিছিল। এইক্ষেত্ৰত ৰঞ্জিত ভট্টাচাৰ্যই কয়- খেতিপথাৰত বিজেপিৰ কৃষক মৰ্চাই আকাংক্ষা কৃষিগোটৰ সহযোগত বিগত ৫ বছৰ ধৰি বন্যাৰ্ত ৰাইজৰ সকাহৰ বাবে কঠীয়া সিঁচি আহিছে। বিগত বৰ্ষত বানৰ বাবে বহু কৃষকে কঠীয়া সিঁচিবলৈ পৰা নাছিল যদিও ইয়াত সিঁচা কঠীয়াৰ জৰিয়তে বহু কৃষকে বিনামূলীয়াকৈ নি উপকৃত হৈছে। এই প্ৰচেষ্টাই আমাক যথেষ্ট আনন্দিত কৰি তুলিছে। এইবেলিও প্ৰায় তিনি কুইণ্টল ৰঞ্জিত ধানকে ধৰি বিভিন্ন জাতৰ কঠীয়া সিঁচা হৈছে। ইয়াৰ জৰিয়তে কৃষকে বিনামূলীয়াকৈ কঠীয়া লাভ কৰাৰ লগতে ধান খেতি কৰাত এইবেলিও যথেষ্ট সকাহ পাব বুলি কয়। কৃষকসকলক কৃষিকাৰ্যত কিদৰে সহায় কৰিব পাৰি, তাৰ বাবে কৃষক মৰ্চাই সদায় প্ৰচেষ্টা কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ কৃষিখণ্ডক লৈ যি সপোন আছে, তাৰ প্ৰতি বিজেপি কিষাণ মৰ্চাই নিৰন্তৰ কাম কৰি আহিছে। সেইমতে যথেষ্ট সফলতা লাভ কৰাৰ কথাও ৰঞ্জিত ভট্টাচাৰ্যই সদৰী কৰে। বিশেষকৈ আকাংক্ষা কৃষিগোটে বছৰত এডৰা মাটিত তিনিটা খেতি কৰি ইয়াৰ কৃষকসকলো জড়িত কৰিব পাৰি ধন্য হৈছে বুলি কয়। তেওঁলোকে ইতিমধ্যে বিগত বছৰকেইটাত ধান, সৰিয়হ, মৌৰ সমান্তৰালকৈ আলুকে ধৰি বিভিন্ন ৰবিশস্য খেতিৰে এক নিদৰ্শন দাঙি ধৰি আহিছে বুলি কয়। কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই জৈৱিক কৃষিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি মাটি আমাৰ, খেতি আমাৰ, বজাৰ আমাৰ- এই লক্ষ্যৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাই সদাই প্ৰচেষ্টা অব্যাহত ৰাখি কাম কৰিছে বুলি কয় আৰু ইয়াত সাহস হৈ আছে অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। আকাংক্ষা কৃষিগোটৰ কৰ্ম-সংস্কৃতিৰ জৰিয়তে ৰাজ্যখনৰ কৃষকসকলক উৎসাহ যাতে দিব পাৰি, সেই ক্ষেত্ৰত দৃষ্টি ৰখা বুলি মন্তব্য কৰে ভট্টাচাৰ্যই। ইপিনে, বিধায়ক দিগন্ত কলিতাই কয় যে অসমীয়া ৰাইজৰ পূৰ্বৰ ঐতিহ্য, পৰম্পৰা কৃষিকাৰ্যতে জড়িত আছিল। ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চা আৰু আকাংক্ষা কৃষিগোটে যি কাম কৰি আহিছে সেয়া সকলো কৃষকৰ বাবে আদৰ্শ। এইক্ষেত্ৰত ৰঞ্জিত ভট্টাচাৰ্যৰ অপৰিসীম অৱদানৰ কথা উনুকিয়াই যুবকসকলক নিজৰ ব্যৱসায়ৰ সমান্তৰালকৈ পথাৰতো সময় দিবলৈ আহ্বান জনায়।

## বৰ্ণাঢ্য-বিশাল আয়োজনেৰে ‘ৰাজতিলক থিয়েটাৰ’ সাজু ন-ৰূপত, ন- সাজত

আৰু প্ৰযোজনাৰে সাজু হৈছে মধুমিতা শৰ্মাৰ দ্বাৰা প্ৰযোজিত আৰু অনুপ দাসৰ পৰিকল্পনা আৰু কাৰ্যবাহী প্ৰযোজনাৰে আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল ‘ৰাজতিলক থিয়েটাৰ’। অসমৰ জনপ্ৰিয় নাট্যকাৰ তিনিগৰাকীৰ ভিন্ন নাট্য স্বাদৰ ব্যতিক্ৰমী তথা ভিন্নধৰ্মী নাট্যসম্ভাৰ লৈ সাজু হৈছে নাট্যদলটিয়ে। য'ত আছে হাঁহি,কান্দোন, ৰোমাঞ্চ, চাছপেঞ্চৰ সমাহাৰ। সেই উদ্দেশ্যেৰে আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল ৰাজতিলক থিয়েটাৰৰ ২০ সংখ্যক নাট্যবৰ্ষৰ বাবে যোৱা ১১ জুলাইত নাটকৰ আখাৰাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সু-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীয়ে। হোম যজ্ঞ, হৰিধ্বনিৰ মাজেৰে নাটকৰ আখাৰাৰ শুভাৰম্ভ কৰি বিশিষ্ট সু-সাহিত্যিক তথা আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীয়ে ভাষণ প্ৰসংগত কয় যে নাটক এখন হ'ব লাগে ৰাইজ তথা সমাজখনৰ মংগল আৰু দেশ এখনৰ শিল্প ক'লা আৰু সংস্কৃতিৰ বিকাশ সাধনাৰ ক্ষেত্ৰত এক সহজ মাধ্যম বুলি কয়। নাটক হ'ব লাগে ৰূপান্তৰৰ ক্ষেত্ৰতো এক প্ৰধান তথা বিশেষ মাধ্যম বুলি কয়। শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰাজতিলক থিয়েটাৰৰ প্ৰযোজক মধুমিতা শৰ্মা, সহ-প্ৰযোজক অনুপ দাস, বিশিষ্ট সাংবাদিক, লেখক তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালী, অভিনেতা ৰাগ ঐনিতম আৰু অভিনেত্ৰী ৰাজ নন্দিনী। নাট্যপ্ৰেমী ৰাইজৰ মনোৰঞ্জনৰ বাবে শক্তিশালী কাহিনী আৰু দৃশ্যপটলৈ ৰচনা কৰা যশস্বী নাট্যকাৰ, পৰিচালক, গীতিকাৰ অভিজিত ভট্টাচাৰ্যৰ এক ব্যতিক্ৰমধৰ্মী কাহিনীৰ নাট ‘যৌৱন এজাক ধুমুহা’। গাঁও আৰু চহৰৰ পটভূমিত ৰচিত ‘যৌৱনে কেৱল সপোন নেদেখে। যৌৱনে কেৱল ৰং ৰহস্যত মতলীয়া হৈ নাথাকে। যৌৱনে কেতিয়াবা সংকল্প লয়। নিজৰ ভালপোৱাক জীয়াই ৰাখিবলৈ দৃঢ়তাৰে আগবাঢ়ে। প্ৰয়োজনৰশতঃ যৌৱনে নিজকে সলাই পেলাই এজাক ধুমুহালৈ। তেনে এজাক ধুমুহা সদৃশ অনৰ্থক বাহ্যিকতা পৰিহাৰ কৰি সামাজিক তথা পাৰিবাৰিক আবেদনময় কাহিনীৰে ৰাজতিলক থিয়েটাৰে এইবাৰ দৰ্শকৰ আগত চমক দিবলৈ ওলাইছে তাৰে এক অনন্য উদাহৰণ অভিজিৎ ভট্টাচাৰ্যৰ ‘যৌৱন এজাক ধুমুহা’... হ'ব বুলি কাৰ্যবাহী প্ৰযোজক অনুপ দাসে জানিবলৈ দিছে। জনপ্ৰিয় সংগীত পৰিচালক অজয় ফুকনে নাটকখনৰ এটি গীত ইতিমধ্যে সুৰেৰে সজাই তুলিছে। অচিৰেই এই গীতটিৰ ভিডিঅ' দৰ্শকৰ কাষলৈ আহিব। এইবাৰ ৰাজতিলক থিয়েটাৰত ৰোমাণ্টিক যুটিৰূপে দেখা যাব বহু জনপ্ৰিয় চলচ্চিত্ৰ তথা মঞ্চৰ বলিষ্ঠ তাৰকা ৰাগ ঐনিতম, মোহময়ী অভিনেত্ৰী নন্দিনী কাশ্যপ, জনপ্ৰিয় টি ভি ছিৰিয়েল বেহাৰবাৰী আউট পোষ্টৰ অভিনেতা মৃদুৎপল মহন্ত, নৱ কুমাৰ বৰুৱা, মিতুল বালাজী, উত্তম দত্ত, নয়ন কৌশিক, পাৰ্থ বৰা আৰু উদীয়মান অভিনেত্ৰী পল্লৱী মেধিৰ লগতে এদল ন-পুৰণি অভিনয় শিল্পী।

## বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ প্ৰশংসনীয়

পদক্ষেপে স্পষ্টকৈ দেখুৱাইছে যে, উন্নয়ন কেৱল পথ-দলং বা আন্তঃগাঁথনি নিৰ্মাণতে সীমাবদ্ধ নহয়; শিক্ষাত বিনিয়োগেই এখন সমাজৰ ভৱিষ্যৎ গঢ়ি তোলাৰ আটাইতকৈ শক্তিশালী উপায়। এজন মেধাৱী শিক্ষাৰ্থীৰ সপোন বাস্তৱায়িত কৰাৰ বাবে আগবাঢ়ি অহা এই সিদ্ধান্ত বহু যুৱ-যুৱতীৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে। অঞ্চলটোৰ সচেতন মহল আৰু বিভিন্ন সামাজিক সংগঠনে এই পদক্ষেপক আদৰণি জনাইছে। বহুতে মত প্ৰকাশ কৰিছে যে, প্ৰকৃতজন নেতৃত্ব সেইজনেহে, যিজনে প্ৰয়োজনৰ সময়ত সাধাৰণ মানুহৰ কাষত থিয় হয় আৰু এখন উন্নত সমাজ গঢ়াৰ বাবে শিক্ষাক অগ্ৰাধিকাৰ দিয়ে। হাগ্ৰামা মহিলাৰীৰ এই মানৱীয় আৰু দূৰদৰ্শী পদক্ষেপে বিটিচিত শিক্ষাৰ প্ৰতি আস্থা বৃদ্ধি কৰাৰ লগতে অসংখ্য মেধাৱী শিক্ষাৰ্থীক নতুন আশা আৰু আত্মবিশ্বাস প্ৰদান কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

## নগাঁৱৰ ১নং আমোলাপট্টি নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীৰ মধুৰ মিলন



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁৱৰ ১নং আমোলাপট্টি নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ এক অন্তৰঙ্গ আলাপ অনুষ্ঠিত হয়। জানিব পৰা মতে, উল্লিখিত বিদ্যালয়খনৰ পৰা ১৯৯৩ বৰ্ষতে উত্তীৰ্ণ হৈ যোৱা একাংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ ঘাই শিপাডাল বিচাৰি উপস্থিত হৈ সেই সময়ৰ তেওঁলোকক শিক্ষাদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে অন্তৰঙ্গভাৱে মিলিত হয়। পূৰ্বনিৰ্ধাৰিত সময় অনুসৰি তেওঁলোক সুদীৰ্ঘ বছৰৰ অন্তত শিক্ষাদান-শিক্ষাগ্ৰহণ কৰি যোৱা বিদ্যালয়খনত লগালগি হয়। ৰাকেশ চমুৱা, নয়নী ডেকা, ৰিজুমণি বৰা, অৰ্পনা গোস্বামী, ৰীতিকা বৰাকে ধৰি কেইবাগৰাকী প্ৰাক্তন শিক্ষাৰ্থীয়ে তেওঁলোকৰ আদি শিক্ষাগুৰুসকলক সুদীৰ্ঘ কালৰ অন্তত লগ পাই আৱেগিক হৈ পৰে। জানিব পৰা মতে, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে ৰেণু দেৱী, হিন্দীয়া আফৰোজা হক, বিণু বৰা, ফজলুল হক, নাবিয়া খাতুন, গুণদা গোস্বামী, নেকিবুদ্দিন আহমেদ (স্বামী হিন্দিয়া) আদিৰ উপৰি বিদ্যালয়খনৰ বৰ্তমান কৰ্মৰত প্ৰধান শিক্ষয়িত্ৰী বিজয়া মহন্ত, নীপা গোস্বামী, অৰ্পনা গোস্বামী, হলধৰ চমুৱা (প্ৰাক্তন এচ আই) আদি উপস্থিত আছিল। প্ৰাক্তন শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলক ফুলাম গামোচা, কলম আদি প্ৰদানেৰে শ্ৰদ্ধা নিবেদন কৰে। এনে এক স্মৰণীয় দিনত উপস্থিত থকা বা বিশেষ কাৰণত থাকিব নোৱাৰা প্ৰতিগৰাকী প্ৰাক্তন শিক্ষাৰ্থীলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে আশীৰ্বাদ প্ৰদান কৰাৰ লগতে সকলোৰে পৰিয়ালবৰ্গলৈ আন্তৰিক শুভকামনা জনাইছে।

## বাক্সা জিলা আয়ুক্ত আৰু জিলা তথ্য-জনসংযোগ বিষয়াক সাক্ষাৎ মানাহ প্ৰেছ ক্লাবৰ, আনুষ্ঠানিক পত্ৰ প্ৰদান



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** নৱগঠিত মানাহ প্ৰেছ ক্লাবৰ এটি সজাতি দলে বাক্সা জিলা আয়ুক্ত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াক সৌজন্যমূলক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মানাহ প্ৰেছ ক্লাবৰ তৰফৰ পৰা সংগঠনটোৰ পৰিচয়, উদ্দেশ্য আৰু আগন্তুক কাৰ্যসূচীৰ বিষয়ে অৱগত কৰাৰ লগতে আনুষ্ঠানিক পত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে, সাক্ষাৎকাৰৰ সময়ত মানাহ প্ৰেছ ক্লাবৰ প্ৰতিনিধি দলে জিলা প্ৰশাসনৰ সৈতে সু-সমন্বয় ৰক্ষা কৰি দায়িত্বশীল আৰু তথ্যভিত্তিক সাংবাদিকতা আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে। ইয়াৰ উপৰিও জনসাধাৰণৰ সমস্যা, উন্নয়নমূলক কাৰ্যসূচী আৰু চৰকাৰী আঁচনিৰ তথ্য সঠিকভাৱে জনসাধাৰণৰ ওচৰলৈ পোৱাত সংবাদ মাধ্যমৰ ভূমিকা অধিক শক্তিশালী কৰাৰ ওপৰতো আলোচনা কৰে। বাক্সা জিলা আয়ুক্ত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াই মানাহ প্ৰেছ ক্লাবৰ নতুন যাত্ৰাৰ সফলতা কামনা কৰাৰ লগতে সংবাদ মাধ্যম আৰু জিলা প্ৰশাসনৰ মাজত ইতিবাচক সহযোগিতা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। নতুনকৈ গঠন হোৱা মানাহ প্ৰেছ ক্লাৱে দায়িত্বশীল, নিৰপেক্ষ আৰু জনস্বাৰ্থমূলক সাংবাদিকতাৰ জৰিয়তে অঞ্চলটোৰ বিভিন্ন সমস্যা, সম্ভাৱনা আৰু উন্নয়নৰ দিশসমূহ জনসাধাৰণৰ সন্মুখলৈ তুলি ধৰাৰ লক্ষ্য লৈ আগুৱাই যাব বুলি মত ব্যক্ত কৰে। উক্ত সজাতি দলটোত মানাহ প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি আমিৰ আলী, সাধাৰণ সম্পাদক শাকিল আহমেদ, সহকাৰী সাধাৰণ সম্পাদক নজৰুল আলী, প্ৰচাৰ সম্পাদক প্ৰসন্ন নাথ আৰু কাৰ্যকৰী সদস্য উদ্ধৱ দৈমাৰী উপস্থিত থাকে।

# ললিত কলা শিল্পী সমিতি অসমৰ সন্তুষ্টি প্ৰকাশ

**পঙ্কজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** ললিত কলা শিল্পী সমিতি অসমৰ এখন সভা সোমবাৰে গুৱাহাটীস্থিত কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাত অসম চৰকাৰে শিল্পী সমিতিয়ে উত্থাপন কৰা বিষয় কেইটা সহৃদয়তাৰে বিবেচনা কৰি যোৱা ১০ জুলাই তাৰিখে অসম বিধানসভাৰ বাজেট অধিৱেশনত অসম ৰাজ্যিক ললিত কলা অকাডেমী প্ৰতিষ্ঠা কৰা হ'ব বুলি ঘোষণা কৰাত সন্তুষ্টি প্ৰকাশ কৰে। যোৱা বছৰ ২৫ ছেপ্তেম্বৰ ২০২৫ তাৰিখে অসমৰ মুখ্যমন্ত্ৰীক দিয়া প্ৰস্তাৱ মৰ্মে মুখ্য সচিবৰ লগত হোৱা আলোচনাত অসমত ১৯৫৯ চনতে গঠিত হোৱা ৰাজ্যিক ললিতকলা অকাডেমি পুনৰ প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তা আৰু ৰবীন্দ্ৰ ভৱনত বিগত ৩ বছৰে বন্ধ কৰি ৰখা কলা বিথীকাটো পুনৰ খুলি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে বুলি জনোৱা হৈছিল। ইয়াৰ লগতে অসমৰ চিত্ৰ ভাস্কৰ্য শিল্পীসকলৰ বাবে চৰকাৰৰ কোনো নীতিগত ব্যৱস্থা নোহোৱা কথাটো স্পষ্ট ভাৱে উল্লেখ কৰা হৈছিল। আলোচনাৰ অন্তত মুখ্য সচিবে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি এটা ইতিবাচক সঁহাৰি দিব বুলি জনাইছিল। শিল্পী সমিতিৰ প্ৰস্তাৱৰ নায্যতা স্বীকাৰ কৰি ৰবীন্দ্ৰ ভৱনত থকা ৰাজ্যিক কলা বিথীকাটোও যাৱতীয় মেৰামতি কৰি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ চৰকাৰী সিদ্ধান্তও সদৰী কৰাত সভাই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সোমবাৰৰ সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে সাংস্কৃতিক মন্ত্ৰী বিমল বড়া, মুখ্য সচিব ড° ৰবি কোটাৰ লগতে বিভাগীয় সকলো বিষয়ালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই ললিত কলা শিল্পী সমিতি অসমৰ ৰাজ্যিক সভাপতি ত্ৰিদিৱ দত্তৰ লগতে সম্পাদক সমন্বিতে বিষয়ববীয়া সকলৰো শলাগ লয়। সভাত শিল্পী সমিতিয়ে পৰৱৰ্তী পৰ্যায়ত গ্ৰহণ কৰিব লগা কৰ্মপন্থা সম্পৰ্কে সভাপতিয়ে বিস্তৃতভাৱে উত্থাপন কৰি যিসমুহ জিলাত এতিয়াও জিলা সমিতি গঠন হোৱা নাই তাত জিলা সমন্বয়ক সমূহে যাতে অতি সোনকালে কমিটি গঠন কৰাত আগভাগ লয় তাৰ বাবে গুৰুত্বসহকাৰে কাম কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি আগৰ সভাত গ্ৰহণ কৰা আৰ্ট ক্লাৱৰ প্ৰস্তাৱ সন্দৰ্ভত জিলা সমন্বয়কসকলক যোগাযোগ অব্যাহত ৰাখিবলৈ অনুৰোধ জনায়। সোমবাৰৰ সভাত দিল্লীৰ সমন্বয়ক প্ৰশান্ত কলিতা, ডিব্ৰুগড়ৰ জিলাৰ সভাপতি দুৰ্গেশ্বৰ দাস, গোলাঘাট জিলাৰ সভাপতি বিপ্লৱ বৰা, সম্পাদক পাপু ঘোষ, নলবাৰী জিলাৰ সম্পাদিকা জয়শ্ৰী কলিতা, চৰাইদেউ জিলাৰ লক্ষী প্ৰসাদ বৰাকে ধৰি বিভিন্ন বক্তাই চৰকাৰৰ এই ঐতিহাসিক সিদ্ধান্তক আদৰণি জনায়। সভাত অসম চৰকাৰে গঠন কৰিব লগা ৰাজ্যিক ললিতকলা একাডেমিৰ ক্ষেত্ৰত অসম চৰকাৰক সম্পূৰ্ণ সহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহন কৰাৰ লগতে এখিনি সুদক্ষ লোকৰ দ্বাৰা আৰু সম্পূৰ্ণ ৰূপে শিল্প কলাৰ লগত জড়িত শিল্পীয়েহে যাতে অগ্ৰাধিকাৰ পাই সেই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিব যাতে অনুষ্ঠানটো প্ৰকৃত পক্ষে শিল্পী আৰু শিল্পকলাৰ উত্তৰণত উৎসৰ্গিত হ'ব পাৰে। শিল্পী সমিতিৰ সম্পাদক ৰুদ্ৰাংকুৰ হাজৰিকাই প্ৰেছ বিবৃত্তি যোগেৰে এই কথা জানিবলৈ দিয়ে।

# শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ সুৰক্ষা সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ বাবে সদনত প্ৰশ্ন উত্থাপন বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছিৰ বস্ত্ৰ উদ্যোগটি এশ এবুৰি সমস্যাৰ মাজেৰে কলধপ কলধপ কৈ জীয়াই থকা এখন জীয়া ছবি সদনৰ মজিয়াত দাঙি ধৰে হাজো-শুৱালকুছিৰ স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। অসম চৰকাৰৰ চলি থকা গ্ৰীষ্মকালীন অধিৱেশনৰ প্ৰশ্নকাল সময়ত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে বস্ত্ৰশিল্পৰ কেঁচা মালৰ আকাশলঙ্ঘী দাম, উৎপাদিত সামগ্ৰীৰ উচিত মূল্যৰ বজাৰ তথা শিপিনী সকলক দুস্কৃতিকাৰীৰ মধ্যভোগীৰ কেকোৰা চেপাৰ পৰা পৰিত্ৰাণৰ বাবে চৰকাৰীভাৱে বস্ত্ৰ ক্ৰয় কৰা, বস্ত্ৰ বেংক স্থাপন কৰা আৰু শুৱালকুছিৰ বস্ত্ৰৰ হুবহু নকল বস্ত্ৰত আমদানীত প্ৰতিবন্ধকতাৰ বিষয়ত প্ৰশ্ন উত্থাপন কৰে। ১৯৪৬ চনৰ ৯ জানুৱাৰীত মহামানৱ মহাত্মা গান্ধী শুৱালকুছি লৈ আহি শুৱালকুছিৰ শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে বুলি মন্তব্য কৰিছিল। সেই সপোন ৰছা শিপিনীৰ বস্ত্ৰশিল্প ১৩ জুলাইত শ্মশান যাত্ৰাৰ দুৰ্দিনৰ বিষয়ৰ সমস্যা সমাধানৰ সংক্ৰান্তত হস্ততাঁত বস্ত্ৰশিল্পৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীক প্ৰশ্ন উত্থাপন কৰে। বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে শুৱালকুছিৰ বস্ত্ৰ উদ্যোগৰ সমস্যা সদনৰ মজিয়াত দাঙি ধৰাত শুৱালকুছিৰ দল সংগঠন শিপিনী বোৱনী কাটনী ব্যক্তি বিশেষে একেমুখে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা ১০ জুলাই তাৰিখে শুৱালকুছি প্ৰেছক্লাবৰ এটি সাতজনীয় সাংবাদিকৰ দলে স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ সহযোগত হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীক সাক্ষাৎ কৰি শুৱালকুছিৰ বস্ত্ৰ উদ্যোগৰ সংকটাপৰ্ণ অৱস্থাৰ বিষয়ে এলানি আলোচনাত মিলিত হয়। তাৰ পিছতেই তাৎক্ষণিকভাৱে স্থানীয় বিধায়কগৰাকীয়ে শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ ক্ষেত্ৰ পৰিদৰ্শন কৰে। এই সময়ছোৱাত তেওঁ একাংশ শিপিনী বস্ত্ৰ বিপনী আনকি শুৱালকুছি ৰেচম পৰীক্ষাগাৰত উপস্থিত হৈ সকলো বিষয়ৰ বুজ লৈ সদনৰ মজিয়াত শুৱালকুছি বচাওক চিন্তাধাৰাৰে বিষয়টি উত্থাপন কৰে।

# নাৰায়ণপুৰত 'প্ৰয়াত ভুবনেশ্বৰ কলিতা সোঁৱৰণী নলবাৰী লীগ ফুটবল প্ৰতিযোগিতা-২০২৬ৰ শুভাৰম্ভ



**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘৰ সহযোগত বৰক্ষেত্ৰী মিনি ষ্টেডিয়ামত আৰম্ভ হয় 'প্ৰয়াত ভুবনেশ্বৰ কলিতা সোঁৱৰণী নলবাৰী লীগ ফুটবল প্ৰতিযোগিতা-২০২৬'। গ্ৰাম্যাঞ্চলৰ ক্ৰীড়া প্ৰতিভাক বিকশিত কৰাৰ লগতে যুৱ প্ৰজন্মক ক্ৰীড়ামুখী কৰি তোলাৰ লক্ষ্যৰে আয়োজিত এই প্ৰতিযোগিতাখনে আৰম্ভণিৰে পৰাই অঞ্চলটোৰ খেলপ্ৰেমী ৰাইজৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৰক্ষেত্ৰী পশ্চিম ধৰ্মপুৰ মণ্ডলৰ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী আৰিফুল হকে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি তেওঁ খেলুৱৈসকলক খেলুৱৈ সুলভ মানসিকতাৰে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানটোত বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘৰ সভাপতি মহচেৰুদ্দিন আহমেদ, সহ-সম্পাদক নুৰুল হুছেইনৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি, ক্ৰীড়া সংগঠক আৰু বিপুল সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজে অংশগ্ৰহণ কৰে। উদ্বোধনী খেলখন মুকালমুৱা ফুটবল ক্লাব আৰু বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘৰ মাজত অনুষ্ঠিত হয়। উত্তেজনাপূৰ্ণ খেলখনত ২-১ গ'লৰ ব্যৱধানত নাৰায়ণপুৰ ক্ৰীড়া সংঘ দলে জয়লাভ কৰিবলৈ সক্ষম হয়। আয়োজক সমিতিয়ে জনোৱা মতে, লীগ পৰ্যায়ত মুঠ ছয়খন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ প্ৰতিখন খেল অত্যন্ত প্ৰতিদ্বন্দ্বিতাপূৰ্ণ আৰু ৰোমাঞ্চকৰ হ'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰাৰ লগতে খেলপ্ৰেমী ৰাইজক ষ্টেডিয়ামত উপস্থিত থাকি খেলুৱৈসকলক উৎসাহিত কৰিবলৈ অনুৰোধ জনাইছে।

# কাকীত প্ৰাক্তন আলফা ঐক্য মঞ্চৰ সাধাৰণ সভা সম্পন্ন




**জয়ন্ত মুদৈ, নগাঁও ঃ** প্ৰাক্তন আলফা ঐক্য মঞ্চৰ হোজাই জিলা সমিতিৰ এখনি সাধাৰণ সভা শুকুৰবাৰে কাকীৰ ৩ নং টঙীয়া লালুং গাঁও প্ৰাথমিক বিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰা হয়। প্ৰদীপ কলিতাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাখনি জাতীয় শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদি এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰা হয়। ৰসেন পাটৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত পৰ্যবেক্ষক হিচাপে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা আৰু কাৰ্যনিৰ্বাহক সদস্য হীৰেণ নাথ উপস্থিত থাকি মঞ্চৰ সাংগঠনিক দিশৰ বিষয়ে গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। ভাষণ প্ৰসংগত দুয়োগৰাকী কেন্দ্ৰীয় সমিতিৰ বিষয়-ববীয়াই সকলোকে ঐক্যবদ্ধভাৱে জাতিৰ হকে সেৱাৰ মনোভাবেৰে কাম-কাজ ৰূপায়ণ কৰি যাবলৈ আহ্বান জনায়। নীলমণি পাঠকে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত স্থানীয় গাঁও প্ৰধান জীতেন্দ্ৰ সৰকাৰকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে শ্বহীদ পৰিয়ালৰ সদস্য, প্ৰাক্তন আলফা সদস্য উপস্থিত থাকে। উক্ত সভাতে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ হোজাই জিলা সমিতিখন শক্তিশালী ৰূপত গঠন কৰা হয়। এই নৱ গঠিত সমিতিখনত দাদুল শইকীয়াক মুখ্য উপদেষ্টা হিচাপে ৰাখি সৰ্বসন্মতিক্ৰমে প্ৰদীপ কলিতাক সভাপতি, দীপক বৰাক কাৰ্যকৰী সভাপতি, ধন্তি বনিয়াক উপ-সভাপতি, ৰসেন পাটৰক সম্পাদক আৰু নীলমণি পাঠকক সহকাৰী সম্পাদক তথা পুলিন মেধী, ৰমেন নাথ, পোনেশ্বৰ দাস, হাচিন আলী, পুস্পেন্দ্ৰ বৰা, বকুল নাথ, প্ৰফুল্ল ডেকা, জিতেন্দ্ৰ চৰকাৰ, ৰোচন আলী বৰভূঞা, প্ৰিয়ংকা কলিতা আৰু চিমি শইকীয়াক সদস্য হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। লক্ষণীয় কথাটো হ'ল প্ৰাক্তন আলফাসকলকলৈ এচাম স্বাৰ্থান্বেষী লোকে এইসকলক ঢাল হিচাপে লৈ সুবিধা আদায়ৰ চেষ্টাত বৰ্তী হোৱাৰ সময়তে প্ৰাক্তন আলফা সমন্বয় সমিতিৰ হোজাই জিলাৰ সাধাৰণ সম্পাদক নীলমনি পাঠকসহ প্ৰায় কুৰিজন বিষয়ববীয়াই এই সভাখনত স্ব-ইচ্ছাই যোগদান কৰাটো ইতিবাচক দিশ হিচাপে চিহ্নিত হৈছে।

# শিৱসাগৰৰ কৃষি বিষয়া আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বীৰ সৈতে জিলা আয়ুক্তৰ গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱৰ অধ্যক্ষতাত শিৱসাগৰ জিলা কৃষি বিষয়া আৰু শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বীৰ সৈতে জিলাখনত এল নিনোৰ সম্ভাব্য প্ৰভাৱ আৰু ইয়াৰ ব্যৱস্থাপনাৰ ওপৰত যোৱা ১০ জুলাইত এক জৰুৰী আলোচনা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কক্ষত অনুষ্ঠিত হোৱা আলোচনাত জিলা আয়ুক্তই কৃষকসকলৰ মাজত সজাগতা বৃদ্ধি, সময়মতে কৃষি পৰামৰ্শ প্ৰদান আৰু প্ৰয়োজনীয় সহায়-সহযোগিতা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে।শিৱসাগৰ জিলা কৃষি বিষয়া অমৃত শইকীয়াই বিকল্প কৃষি পৰিকল্পনা গ্ৰহণ, পানী সংৰক্ষণ, জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সহনশীল বীজ ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। আনহাতে উক্ত আলোচনাতে কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° অৰুন্ধতী বৰদলৈয়ে জনাই যে, কৃষকসকলৰ বাবে বৈজ্ঞানিক পৰামৰ্শৱলী আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে সম্ভাব্য লোকচান হ্ৰাস কৰিব পৰা যায়। উল্লেখযোগ্য যে, আলোচনাখনৰ মূল বিষয় আছিল আপৎকালীন পৰিকল্পনা প্ৰস্তুত কৰা, সময়মতে কৃষি পৰামৰ্শ কৃষকৰ ওচৰলৈ প্ৰেৰণ, জলবায়ু-সহনশীল কৃষি প্ৰযুক্তিৰ প্ৰসাৰ, জলসম্পদৰ দক্ষ ব্যৱস্থাপনা, পশুধন সুৰক্ষাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ আৰু বিভিন্ন বিভাগৰ মাজত সমন্বয় বৃদ্ধি কৰি কৃষকৰ জীৱিকা সম্ভাব্য ক্ষতিৰ পৰা সুৰক্ষিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

# নটৰাজ কলা কেন্দ্ৰৰ শুৱালকুছি কলা মহোৎসৱৰ আয়োজন

## অভিনেত্ৰী চেতনা দাসলৈ 'কলা শিৰোমণি'

**ৰমেন ভৰালী, বংশৰ ঃ** বিগত বছৰৰ দৰে এইবেলিও শুৱালকুছি নটৰাজ কলা কেন্দ্ৰ আৰু ৰাইভি ইণ্টাৰনেচনেল সংস্থাৰ সহযোগত অহা ১৭ আৰু ১৮ জুলাইত শুৱালকুছি কলা মহোৎসৱ অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলাইছে। শুৱালকুছি প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া এই কলা মহোৎসৱৰ লগত সংগতি ৰাখি ২০১১ চনৰ পৰা সত্ৰীয়া, সংস্কৃতি, নাট, লোকশিল্পী, গণশিল্পী, অভিনয়, শিপিনী, সংবাদ জগত, গবেষক, কৃষক, চিকিৎসা সেৱা, সাহিত্যকে আদি কৰি সমাজৰ বিভিন্ন সেৱাত জড়িত লোকসকলক বঁটা প্ৰদানৰ জৰিয়তে উৎসাহ আগবঢ়াই অহা হৈছে। বিগত বছৰ সমূহৰ দৰে এইবেলিও 'শুৱালকুছি কলা 'সম্মান', 'শুৱালকুছি কলা শিৰোমণি', 'শুৱালকুছি গ্ৰাম্যসূৰ্য সম্মান' আৰু 'শুৱালকুছি নটৰাজ কলা ৰত্ন' সম্মান নামেৰে চাৰিটাকৈ বিশেষ বঁটা প্ৰদানৰ বাবে কেইবাগৰাকীও ব্যক্তিক বাছনি কৰা হৈছে।শুৱালকুছি নটৰাজ কলা ৰত্ন সম্মানৰ বাবে বাছনি কৰা হৈছে ক্ৰমে প্ৰৱাসী ভাৰতীয় তথা আমেৰিকা নিৱাসী বিশিষ্ট শাস্ত্ৰীয় সংগীত শিল্পী সুনীতা ত্ৰিকাৰ, শাস্ত্ৰীয় সংগীত শিল্পী পংকজ নমঃ শূদ্ৰ, লোকশিল্পী ধনজিৎ দত্ত, ভোজপুৰী অভিনেতা সুনীল দত্ত আৰু লোকশিল্পী ৰূপম ডেকাক। - 'শুৱালকুছি গ্ৰাম্য সূৰ্য সম্মান'ৰ বাবে বাছনি কৰা হৈছে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ দাসক, - 'শুৱালকুছি কলা শিৰোমণি' সম্মানৰ বাবে বাচনি কৰা হৈছে - অসমীয়া ছবিজগতৰ বিশিষ্ট বৰ্ষীয়ান অভিনেত্ৰী চেতনা দাসক, সংগীত নাটক একাডেমী বঁটা প্ৰাপক তথা দূৰদৰ্শন কেন্দ্ৰৰ বিশিষ্ট শিল্পী ৰাম কৃষ্ণ তালুকদাৰ আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী ৰিঞ্জু মণি শইকীয়াক। আনহাতে 'শুৱালকুছি কলা সন্মান'ৰ বাবে বাচনি কৰা হৈছে কবি সাহিত্যক ভাগৱতী বাপ মলিন কলিতা, বিশিষ্ট সমাজকৰ্মী, প্ৰযোজক হেমন্ত কলিতা আৰু সাংবাদিক কনক বৈশ্যক। শুৱালকুছি কলা মহোৎসৱত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে শুৱালকুছি নটৰাজ কলাকেন্দ্ৰৰ সঞ্চালিকা গীতাঞ্জলি কলিতাই।

### বিষাদ চটিওৱা এচাটি ফাগুন

**হীৰক জ্যোতি দাস**

ফাগুনৰ ধূলিৰে ধূসৰিত
কোনোবা এটি ক্ষণত ছায়া ময়াকৈ
দেখিছিলোঁ এযুৰি চকু
শান্ত অথচ গভীৰ...
য'ত লুকাই থকা যেন অনুভৱ হৈছিল
অব্যক্ত হেজাৰ কাহিনীৰ জীয়া ছবি
ভগ্ন হৃদয়ৰ বেদনাবোৰ
চকুলো হৈ দুচকুত
উলমি ৰোৱা যেন অনুভৱ হৈছিল
কাৰোবাৰ অকণমান সান্নিধ্য পালেই
হয়তো বৈ আহিব খুজিছিল বিষাদৰ জিয়া ঢল
হাঁহিটি প্ৰতি পল মুখতে লাগি ৰোৱাৰ দৰেই
অনুভৱ হৈছিল।
অনুমান কৰিব পাৰিছিলোঁ
হাঁহিৰ আঁৰত যে মানুহে
কঢ়িয়াই ফুৰে এবুকু বিষাদ
প্ৰতি খোজৰ গাম্ভীৰ্যতে
অনুভৱ কৰিব পাৰিছিলোঁ
গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্বৰ প্ৰতিচ্ছবি
দুটি ওঠেৰে উচ্চাৰিত শব্দত
অনুভৱ কৰিব পাৰিছিলোঁ
হৃদয়ৰ গভীৰত সৃষ্টি হোৱা
বিষাদৰ ঢৌৰ প্ৰাবল্য।

### ৰাতি এজাক বৰষুণ আহিছিল

**মনালিচা ৰাজবংশী**
আস্কেৰীঘাট, দৰং

ৰাতি এজাক বৰষুণ আহিছিল
বৰষুণজাকক মোৰ
প্ৰশ্ন কৰিব মন গ'ল
মই বৰষুণজাকক সুধিছিলোঁ -
মোৰ মনৰ বেদনাবোৰ ধুই নিব পাৰিবানে?
বৰষুণজাকে ক'লে -
বৰষুণ ভাল পোৱা মানুহৰ মনত
জানো বেদনাই প্ৰশ্ৰয় পায়।
মই যেন অবাক হৈছিলোঁ
ৰাতিৰ এন্ধাৰত যে
কিছুসময় বৰষুণজাকত
অকলে তিতিলোঁ,
ঠিক অলপ পিছতে যেন
মোৰ মনত থকা বেদনাবোৰ
ক'লৈ গুচি গ'ল মই যে
উমানে নাপালোঁ।

ম'বাইল ঃ ৬৯০০৬-০০৪৯০

### তেজ ৰঙা কৃষ্ণচূড়া

**বনজিত দাস**
ৰিহাবাৰী, বজালী

তুমিচোন এদিন এৰি যাবগৈ
মোৰ চহৰত লগ পোৱা কৃষ্ণচূড়া
বুকুখন বৰ অন্ধকাৰ অৰণ্য
ফেৰেঙনিৰ ফাঁকেৰে নেখেলে ৰ'দালিৰ খেল
সুখৰ চৰাই বাহ নাবান্ধে তাত
এটা বিশাল হৃদখাল
পানী বহুত ঘোলা
পাৰত গজিল এপাহ কৰ্পছ ফ্লাৱাৰ
তুমিচোন জনাই কৃষ্ণচূড়া
কিমান আকুলতা বিষাদ হিয়া
আঁকি দিয়াচোন কৃষ্ণচূড়া
বুকুৰ কেনভাছত
ৰঙা ৰঙৰ সঁফুৰা
চাই লম এখন আকাশ
একেথৰে
য'ত সুখৰ চৰাই উৰে
তেজ ৰঙা কৃষ্ণচূড়া।

### বোকাৰ গোন্ধত মোৰ জন্ম নাম

**প্ৰাণজিৎ দাস,** গৰেমাৰী

বোকাৰ গোন্ধত মোৰ জন্ম
বোকাৰ গোন্ধত মোৰ জন্ম,
সেউজীয়াই গায় জীৱনৰ গীত।
দুখৰ ভঁৰালতো হাঁহিৰ সমাহাৰ,
সপোনৰ বাটে গায় সোণালী গীত।
মনৰ কোঠাত বাজে নতুন সুৰ,
পাতৰ টোপালত লুকায় সপোন।
বোকা হ'লেও মনটি পৱিত্ৰ,
মাটিৰে লিখোঁ জীৱনৰ চৰিত্ৰ।
সেউজীয়া পথাৰৰ বুকুত
জীৱনৰে আশা নীৰৱে বয়,
বোকাৰ মাজতেই সপোন বাচে-
মাটিৰ মৰমে হৃদয় ভৰায়।
জেঠৰ ৰ'দত পথাৰখন শুই থাকে,
আকাশৰ নীলেৰে বুকুত সাৱতি।
সেউজীয়া শইচৰ পাতত বতাহে
নীৰৱে লিখে আশাৰ খবৰটি
নৈৰ কাষে কাষে বগা ডাৱৰে,
গাঁৱৰ সুৰে মনটি জোকাৰি যায়।
আজি সেউজীয়া এই পথাৰখনে
কাইলৈ সোণোৱালী সপোনেৰে সজাই উঠায়।
জেঠৰ দিনৰ সেই পথাৰখনত
শইচবোৰ সোণালী হৈ দোল খাব,
মাটিৰ বকুত ঘামৰ কাহিনী
সুখৰ ফচল হৈ এদিন ফুলিব।

ম'বাইল ঃ ৯৬৭৮৮-৮১২৬৮

# ক্ৰমান্বয়ে এলাগী হৈ পৰিছে গ্ৰামাঞ্চলৰ থলুৱা আম-কঁঠাল-পনিয়ল-লেটেকু

**জয়ন্ত মুদৈ, নগাঁও ঃ** কিছু বছৰৰ আগলৈকে গ্ৰামাঞ্চলসমূহত ডাল ভৰি ভৰি লমালমে লাগি থকা থুপাথুপি আম, কঁঠাল, আনাৰস, জামুক, লেটেকু, পনিয়ল, কৰ্দৈ, বগৰি, লিচু, ডালিম আদি ৰসাল ফলবোৰ সম্প্ৰতি গ্ৰামাঞ্চলত পাবলৈ কঠিন হৈ পৰিছে। দেখিলেই লোভত জিভাৰ পানী পৰা এই ফল-মূলৰ গছ ৰোপণৰ ক্ষেত্ৰত আহি পৰা চৰম অৱহেলা আৰু অমনোযোগিতাৰ ফলতেই এই গছ-গছনিৰ সংখ্যা অসমত ক্ৰমাৎ কমি অহাটো এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত হৈছে। যাৰ পৰিণতিত থলুৱা ফল-মূলৰ এনে নাটনিৰ সুবিধা গ্ৰহন কৰি ৰাজ্যৰ বাহিৰৰ ৰংচঙীয়া ফল-মূলে বৰ্তমান লক্ষণীয়ভাৱে অসমৰ বজাৰ ছানি ধৰাত অসমৰ পৰা নিতৌ লাখ লাখ টকা বাহিৰলৈ ওলাই যাবলৈ ধৰিছে। জানিব পৰা মতে, সম্প্ৰতি অসমৰ বজাৰলৈ মালদহৰ পৰা আমদানি হোৱা লেঙেৰা আম, ফজলিৰ আম, লক্ষণভোগ আমৰ লগতে সাধাৰণ আম, কাশ্মীৰ আৰু নিউজিলেণ্ডৰ আপেল, মেঘালয়ৰ পৰা অহা আনাৰস, কঁঠাল, লেটেকু, শ্বিলঙৰ পৰা অহা প্লাম, আঙুৰ আদি অসমৰ বজাৰত চ'ৰা দামত নিৰ্বিঘ্নে বিক্ৰী হৈ আছে। অৱশ্যে ইয়াৰ বিপৰীতে জামু আৰু পনিয়ল লক্ষণীয়ভাৱে সিমান উভৈনদী হৈ পৰা নাই। উল্লেখ্য, প্ৰতি বছৰে কেৱল জুন আৰু জুলাই মাহতে প্ৰতিদিনে গঢ়ে বহিঃৰাজ্যৰ পৰা অসমলৈ শ শ টন আম, আপেল, আনাৰস, প্লাম, নাৰিকলৰ লগতে বিদেশী ৰাষ্ট্ৰ মালয়েছিয়াৰ কল, অষ্ট্ৰেলিয়াৰ জামু, কানাডা আৰু নিউজিলেণ্ডৰ পৰা ৰয়েল আপেল, আঙুৰ, নাৰিকল আদি আমদানি কৰা হয়। গতিকে, ইয়াৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে এইদৰে বাহিৰৰ পৰা অসমলৈ মাত্ৰ জুন আৰু জুলাই মাহতে কেইবা কোটি টকাৰ ফল-মূল আমদানি কৰা হয়। ইফালে, থলুৱা ফল-মূলৰ চাহিদা বৰ্তমান বজাৰত ক্ৰমান্বয়ে কমি অহা বুলি একাংশ ফলৰ ব্যৱসায়ীয়ে মন্তব্য কৰি কয় যে-ক্ৰেতাই বজাৰত থলুৱা ফল কিনিবই নোখোজে। সকলোৱে বাহিৰৰ পৰা অহা ফলহে বিচাৰে। গতিকে দেখা গৈছে পূৰ্বে গ্ৰামাঞ্চলৰ বাৰীত ডাল ভৰি ভৰি থোপা-থুপে লাগি থকা থলুৱা ফল-মূলবোৰ সময় বাগৰাৰ লগে লগে এলাগী হৈ পৰাৰ বিপৰীতে বাহিৰৰ আমদানিকৃত ফল-মূলৰ চাহিদা দিনক দিনে বৃদ্ধি পাই অহাত বাহিৰৰ ৰংচঙীয়া ফলে অসমৰ বজাৰ একপ্ৰকাৰে দখল কৰি লৈছে। সেয়ে, এতিয়া আমি সকলোৱে থলুৱা ফল-মূলৰ বংশবৃদ্ধিৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ সময় আহি পৰিছে। অন্যথা এইবোৰ কালৰ সোঁতত জাহ যাবলৈ হয়তো খুব বেছি দিন নালাগিব।

# বটদ্ৰৱাত অসম সত্ৰ মহাসভাৰ ৫৩ সংখ্যক পূৰ্ণকালীন অধিৱেশনৰ ব্যাপক প্ৰস্তুতি



**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱাত অসম সত্ৰ মহাসভাৰ ৫৩ সংখ্যক পূৰ্ণাংগ অধিৱেশনখনি অহা ২৩, ২৪ আৰু ২৫ অক্টোবৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে, অধিৱেশনখনি সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ অৰ্থে এখনি শক্তিশালী আদৰণি সমিতি গঠনেৰে প্ৰয়োজনীয় প্ৰস্তুতি জোৰদাৰ কৰি তোলা হৈছে। ইয়াৰ অংশহিচাপে অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰথমখনি কাৰ্যনিৰ্বাহ সভা দেওবাৰে অনুষ্ঠিত হয়। বটদ্ৰৱা থানৰ সভাগৃহত অনুষ্ঠিত উক্ত সভাখনিত সভাপতিত্ব কৰে আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি ব্ৰজেন কাকতিয়ে। এটি ঘোষাৰে শুভাৰম্ভ হোৱা সভাখনিত অংশগ্ৰহণ কৰি অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই গুৰুজনাৰ জন্মস্থানত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ বাবে গুৰুজনাৰ অনুৰাগী সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু পৰামৰ্শ কামনা কৰে। ইয়াৰ বিপৰীতে সভাত আদৰণি সমিতিৰ সাধাৰণ সম্পাদক তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে অধিৱেশনখনি সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণৰ বিষয়ে আলোচনা কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা আদৰণি সমিতি মুখ্য উপদেষ্টা অম্লান জ্যোতি দেৱগোস্বামী, অসম সত্ৰ মহাসভাৰ পশ্চিম নগাঁও জিলা সমিতিৰ সভাপতি পৰমানন্দ দেৱগোস্বামী, কাৰ্যকৰী সভাপতি ৰঞ্জিত মহন্ত, উপ-সভাপতি বোধেন চন্দ্ৰ বৰা, সাধাৰণ সম্পাদক ভূপেন চন্দ্ৰ মহন্ত, নগাঁও জিলা সমিতিৰ সভাপতি যুগল চন্দ্ৰ গোস্বামী, উপ-সভাপতি উৎপল মহন্ত, সাধাৰণ সম্পাদক অমৃত মহন্ত, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অশোক মহন্ত, মুহিত হাজৰিকা, সাংগঠনিক সম্পাদক ধীৰেন মহন্তকে প্ৰমুখ্য কৰি শতাধিক লোক উপস্থিত থাকে। শেষত ঘোষা পৰিৱেশনেৰে সভাখনিৰ সামৰণি মৰা হয়।

# সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত প্ৰজন্মৰ সহযোগত জাগাৰাত ১৫ দিনীয়া নাট কৰ্মশালা



**নগেন তালুকদাৰ, নলবাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত নলবাৰী জিলা প্ৰশাসনৰ নলবাৰী জিলাৰ এটি আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান প্ৰজন্ম এক অবিৰত যাত্ৰাৰ আয়োজনত ১৮৭ নং জাগাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হৈছে বিনামূলীয়া ১৫ দিনীয়া নাট কৰ্মশালা। নাট কৰ্মশালা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৫৪ নং জাগাৰা-নপ্তিপাৰা পঞ্চায়তৰ সভানেত্ৰী উষা ৰাণী ডেকা, আঞ্চলিক সদস্য দীনেশ বৈশ্য, জাগাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃ প্ৰধান শিক্ষক কমলাকান্ত ডেকা, শিক্ষক সুবোধ ডেকা, বিশিষ্ট সমাজকৰ্মী মহেশ বৰ্মন, ১৮৭ নং জাগাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোকুল ডেকা, সাংস্কৃতিক কৰ্মী পলাশ ডেকা। নাট কৰ্মশালাখনি উদ্বোধন কৰে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ উন্নয়ন খণ্ড বিষয়া নিশিনাথ শৰ্মাই। উদ্বোধন কৰি শৰ্মাই কয় যে নাটকে সমাজ পৰিৱৰ্তন কৰে। শিশুসকলক, যুৱক-যুৱতীসকলক এই সাংস্কৃতিক দিশৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়। শিশুসকলক ম'বাইল মেনিয়াৰ পৰা মুক্ত কৰাৰ এক মাধ্যম এই নাট কৰ্মশালা। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে নটৰাজৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মুখ্য প্ৰশিক্ষক কিশোৰ কুমাৰ চক্ৰৱৰ্ত্তী, সহযোগী ৰাফেল চৌধুৰীয়ে। এই অনুষ্ঠানত প্ৰজন্মৰ সভাপতি দীপ শালৈ, কাৰ্যকৰী সভাপতি জুলু মহন্ত, সম্পাদক সুনয়ন শৰ্মা, পাকিউৰ ৰহমান,সমন্বয়ক নিতু তালুকদাৰ, সদস্য অভিজিত দাসকে ধৰি আন আন বিষয়ববীয়াসকল। প্ৰায় পঞ্চাশ গৰাকী প্ৰশিক্ষাৰ্থীয়ে ভাগ লোৱা এই নাট কৰ্মশালাৰ অনুষ্ঠানটি সঞ্চালনা কৰে ছাত্ৰ নেতা দিগন্ত ভৰালীয়ে।

# পল্লা নৈত গা ধুবলৈ আহি সন্ধানহীন দশম শ্ৰেণীৰ ছাত্ৰ ৰাহুল আহমেদ



**খাইৰুল ইছলাম, শালবাৰী ঃ** বাক্সা জিলাৰ ৰাজঢাকমালস্থিত পল্লা নৈত গা ধুবলৈ আহি সন্ধানহীন হৈছে বৰপেটাৰোডৰ সাতভনিৰটুপ গাঁৱৰ দশম শ্ৰেণীৰ ছাত্ৰ ৰাহুল আমিন। জানিব পৰা মতে, সাতভনিৰটুপ গাঁৱৰ এদল যুৱক পল্লা নৈত গা ধুবলৈ আহিছিল। সেই সময়তে ৰাহুল আমিন সমনীয়াসকলৰ সৈতে নৈত নামোতেই পানীৰ সোঁতত ভাঁহি যায়। ঘটনাৰ পিছতেই স্থানীয় লোক, সংগীসকল আৰু উদ্ধাৰকাৰী দলৰ সহযোগত বিচাৰ অভিযান আৰম্ভ কৰা হয়। কিন্তু এই প্ৰতিবেদন যুগুত কৰাৰ সময়লৈকে ৰাহুল আমিনৰ কোনো সন্ধান পোৱা হোৱা নাই। ঘটনাই সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলোৱাৰ লগতে পৰিয়ালৰ মাজত হাহাকাৰৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে নদী-নৈত গা ধোৱা বা সাঁতোৰাৰ সময়ত বিশেষ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে।

# জুইশাল ঃ অসমীয়া সংস্কৃতিৰ উমাল প্ৰাণস্পন্দন

■ **লক্ষীনন্দন কলিতা**

জুইশাল-এই শব্দটোৱে কেৱল এখন ৰন্ধনশালৰ ছবিহে মনত আঁকি নিদিয়ে; ই অসমীয়া জনজীৱনৰ এক চিৰসেউজ সাংস্কৃতিক প্ৰতীক। জুইশালৰ উমত সঞ্চিত হৈ আছে গাঁৱৰ মাটিৰ গোন্ধ, মাকৰ স্নেহ, ককা-আইতাৰ জীৱনজ্ঞান, পৰিয়ালৰ মিলন আৰু লোক-ঐতিহ্যৰ দীপ্ত স্মৃতি। যুগে যুগে অসমীয়া সমাজৰ সাংস্কৃতিক চেতনাক জীয়াই ৰখাত জুইশালে এক নীৰৱ অথচ গভীৰ ভূমিকা পালন কৰি আহিছে। এসময়ত প্ৰতিখন অসমীয়া গৃহৰ প্ৰাণকেন্দ্ৰ আছিল জুইশাল। দিনটোৰ আৰম্ভণিৰ পৰা নিশাৰ অন্তিম মুহূৰ্তলৈ ইয়াৰ জুই কেতিয়াও সম্পূৰ্ণ নুমুৱাই নাছিল। জুইৰ শিখাত কেৱল আহাৰহে সিজা নাছিল, সিজিছিল সপোন, সিজিছিল সম্পৰ্ক, গঢ় লৈ উঠিছিল পাৰিবাৰিক ঐক্যৰ সুদৃঢ় ভেঁটি। সন্ধিয়া পৰিয়ালৰ সকলো সদস্য জুইশালৰ চৌপাশে বহি জীৱনৰ সুখ-দুখ ভাগ-বতৰা কৰিছিল। ককা-আইতাৰ মুখেৰে ওলাই অহা সাধুকথা, লোককাহিনী, নীতি-উপদেশ আৰু জীৱনৰ অভিজ্ঞতাই নতুন প্ৰজন্মক শিকাইছিল মূল্যবোধ আৰু সংস্কৃতিৰ পাঠ। জুইশালৰ ধোঁৱাৰ সৈতে মিলি আছিল অসমৰ গ্ৰাম্য জীৱনৰ এক অনন্য সৌন্দৰ্য। খৰিৰ জুইত ৰন্ধা ভাত, খাৰ, মাছ-পিটিকা বা অন্যান্য থলুৱা ব্যঞ্জনৰ সোৱাদ আজিও বহুজনৰ বাবে এক অপূৰ্ব স্মৃতি। শীতৰ পুৱতি বা গধূলি সময়ত জুইশালৰ উমে যেন দেহৰ লগতে মনটোও উষ্ণ কৰি তুলিছিল। সেই উমত আছিল মৰম, আন্তৰিকতা আৰু এক অদৃশ্য আত্মীয়তাৰ স্পৰ্শ। আধুনিক সভ্যতাৰ অগ্ৰগতিয়ে ৰন্ধন-পদ্ধতিত আমূল পৰিৱৰ্তন আনিছে। গেছ, ইণ্ডাকচন আৰু বৈদ্যুতিক সঁজুলিয়ে জুইশালৰ স্থান বহুখিনি দখল কৰিছে। তথাপিও জুইশালৰ ঐতিহ্য মচি যোৱা নাই। বিহু, ভোজ, পূজা-পাৰ্বণ অথবা বিশেষ উপলক্ষত আজিও বহু অসমীয়া পৰিয়ালত জুইশাল পুনৰ জ্বলি উঠে। কিয়নো জুইশাল কেৱল প্ৰয়োজনৰ বস্তু নহয়, ই স্মৃতি, সংস্কৃতি আৰু আত্মপৰিচয়ৰ বাহক। সাংস্কৃতিক দৃষ্টিৰে জুইশাল হৈছে অসমীয়া জীৱনদৰ্শনৰ এক উজ্বল ৰূপক। ইয়াৰ উমত আছে পাৰস্পৰিক বিশ্বাস, সহমৰ্মিতা, সৰলতা আৰু সামাজিক সম্প্ৰীতিৰ বাণী। আধুনিকতাৰ দৌৰত বহু পৰম্পৰা ক্ৰমে লুপ্ত হ'লেও জুইশালৰ সৈতে জড়িত মূল্যবোধসমূহ সংৰক্ষণ কৰাটো আমাৰ নৈতিক দায়িত্ব। কিয়নো যি জাতিয়ে নিজৰ ঐতিহ্য পাহৰি যায়, সেই জাতিৰ ভৱিষ্যৎও ক্ৰমে শিপাহীন হৈ পৰে। সেয়েহে, জুইশালক কেৱল অতীতৰ স্মৃতি বুলি নাভাবি, অসমীয়া সংস্কৃতিৰ এক চিৰজাগ্ৰত প্ৰতীক হিচাপে সন্মান জনোৱা উচিত। ইয়াৰ উমত আজিও জীয়াই আছে আমাৰ মাটিৰ সুৱাস, লোকচেতনাৰ দীপ্তি আৰু জীৱনৰ অনাবিল মানৱীয় অনুভৱ। যিমান দিনলৈ এই উম হৃদয়ত জীয়াই থাকিব, সিমান দিনলৈ অসমীয়া সংস্কৃতিৰ অস্তিত্বও চিৰউজ্বল হৈ ৰ'ব।

**ম'বাইল ঃ** ৮০৯৯৭-৮৭৭৪৭

## সেউজীয়াৰ গান

**টোলন তাছা**
কলিয়াবৰ, নগাঁও

দুটি ওঁঠত তোমাৰ সেউজীয়াৰ গান
বুকুৰ উমেৰে জীপাল কৰিছা বাগিচাৰ প্ৰাণ
ৰ'দালীৰ চোকা হাঁহিত বৰণ সলায় ছালে
বাগিচাৰ মাটিক সাৰুৱা কৰে
তোমাৰেই ক'লা কপালৰ ঘামে।
চাহ গছৰ ডালে পাতে শিপাতে
কিমান যে কৰুণ গাথা লিখা আছে,
পুৱাটিয়ে সাৰ পোৱাৰ পৰা গধূলিলৈকে,
কটা-ছিঙা-ফটা আঙুলিয়েই নাচে
অসমী আইৰ বুকুত ইমূৰৰ পৰা সিমূৰলৈ।
মাদলৰ চেঁৱত উথলি উঠে আনন্দৰ জোৱাৰ
ঝুমইৰৰ তালত মতলীয়া হৈ পাহৰা এবুকু হাহাকাৰ
সেয়ে ফাগুনে কিৰিলি মাৰে উৰুখা পজাঁত,
বিষাদৰ ক'লা মেঘে আলফুলে ওমলি থাকে
তোমাৰেই উৱলিব ধৰা সপোনৰ বোকোচাত।
হে' মোৰ চাহ বাগিচাৰ শ্ৰমিক
হে' আই অসমীৰ নিৰ্বোধ খনিকৰ,
তোমাৰ খহটা হাতৰ পৰশতে
বাগিচাৰ সেউজীয়াবোৰে প্ৰাণ পাই উঠে
গৌৰৱেৰে ফুলি উঠে বুকু সোণৰ অসমৰ।

নিঃকিন হৈও তুমি যিদৰে
শুৱনি কৰিছা বিশ্বৰ বিলাসী মেজ,
কোনে বাৰু ভাবিব পাৰে
চাহপাতৰ কাপত যে নিগৰে
তোমাৰ ক'লা দেহৰে ঘাম আৰু তেজ।
হে' বৰ অসমৰ নীৰৱ ভাস্কৰ
তোমাক জনাওঁ শত কোটি প্ৰণিপাত,
দশোদিশে গুঞ্জৰিত হওঁক তোমাৰেই জয়গান
চিৰদিনেই জিলিকি থাকক বিশ্বত
সেউজীয়া চাহ বাগিচাৰ এটি কলি দুটি পাত।

**ম'বাইল ঃ** ৮৪৮৬০-৬৮৩৯০

## একুৰিয়াম

**শচীন্দ্ৰ কুমাৰ দাস**
পলাশবাৰী

সমুদ্ৰৰ সুবিশাল গৰ্ভত বিলীন হৈ
নিজক পাহৰি
প্ৰৱল ঢৌৰ সৈতে লুকাভাকু খেলি
ভিন্ন ৰঙী ভাজত উখল মাখল হৈ
মুক্ত মনৰ স্বাধীনতাৰ বেষ্টনীত আজি
চঞ্চলা তোমালোক।
মহা সমুদ্ৰই দিছিল জানো জাননী?
কোনোবা দুষ্টৰ ফান্দত বন্দী হৈ
কাৰাৰুদ্ধতাৰে একুৰিয়ামত বন্দীত্ব হ'বা,
কোনোবা বিলাসী ভৱনৰ চুকত।
আজি যেন পাহৰিলা মুক্ত গগণৰ
ছাঁয়াত
উন্মুক্ত জলধাৰাত নৃত্যৰ তাল।
সমুদ্ৰৰ প্ৰমোদৰ বিচিত্ৰ ৰঙী
আভাও যেন আজি নহয় নিৰাপদ।
নিয়তিৰ ন্যায় জানো ন্যায়িক
কবিতাৰ মালিতাৰ পংক্তিতিবোৰো নহয় যেন
কাব্যিক।
আত্ম স্বপ্ন ৰূপায়ণত যত্ন প্ৰতিজন।
দৌৰাত্ম্য আজি বাসনাত, কামনাত।
অৰ্থ প্ৰাপ্তিত গমিছে ব্যক্তিসত্বা।
কোনো হয় অকাৰনে বন্দী।
ব্যভিচাৰ, ভ্ৰষ্টাচাৰ, অনাচাৰ, মিথ্যাচাৰী
সুৰুঙা সৃজে সৃজনে
নিত্য নতুন ন্যায় বন্ধনে
সুৰক্ষা দিয়ে স্ব জ্ঞানে।
জাতি জাতিয়তাৰ একাত্ম বোধ
সমন্বয়ৰ ভাতৃত্ববোধ,
পিশাচ ৰক্তবিজৰ কলা তেজে
ত্ৰাহিচে গ্ৰাসিছে ক্ষণে।
আত্মজাহ, জেহাদী ধাৰা
জাগ্ৰত নিতে।
ঘোৰ কলি মহা কলি
ঘোৰ সৰ্বনাশ
সতৰ্ক হোৱা
নহ'লে হ'ব নাশ।

## পাগলী

**জ্যোতিমণি মাহত্ব**
ছাত্ৰী, যোৰহাট বিজ্ঞান
আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান

ধূলিৰে ধূসৰিত চুলি, বুকুত হাজাৰ কথা
তুমি হাঁহিলে জগতখনে পায় যে কেৱল ব্যথা,
ফটা কাপোৰৰ আঁৰে আঁৰে লুকাই থাকে লাজ
তোমাৰ বাবে সজা নাই কোনেও সুখৰ মুকুট।
তোমাৰ চকুৰ শূন্যতায়ে কয় কিতাপৰ হাজাৰ পৃষ্ঠা
এই স্বাৰ্থপৰ সমাজে বুজি নাপায় তোমাৰ নিষ্ঠা,
পাগলী বুলি হাঁহিব পাৰে এই নিষ্ঠুৰ জগতখনে
তথাপিও তোমাৰ পৱিত্ৰ মনটো কাঢ়িব নোৱাৰে
কোনেও।
কোনোবাই কয় তুমি পাগলী, কোনোবাই গালৈ
দলিয়াই শিল
কোনেও বুজি নাপালে তোমাৰ উকা মনৰ কথা,
এদিন তুমিও আছিলা কাৰোবাৰ ঘৰৰ জীয়ৰী
আজি নিয়তিৰ নিষ্ঠুৰ খেলত তুমি অকলশৰীয়া
পথচাৰী।
তুমি জানো সঁচাকৈয়ে পাগলী, নে এই সমাজখন
অন্ধ
য'ত মানুহৰ মনুষ্যত্ব আজি সম্পূৰ্ণৰূপে বন্ধ।
কাৰোবাৰ প্ৰতাৰণা, কাৰোবাৰ নিষ্ঠুৰ আঘাতৰ ফল,
যাৰ বাবে আজি তুমি হেৰুৱালা জীৱনৰ সম্বল।
বিক্ষিপ্ত তোমাৰ খোজ, লক্ষ্যহীন অন্তহীন যাত্ৰা
অৱহেলাৰ এই পৃথিৱীত নাই কোনো ক্ৰোধৰ মাত্ৰা,
চেতনাহীন মগজুত কিজানি আজিও জিৰায় স্মৃতিৰ
তৰা
যাৰ বাবে তুমি আজি সমগ্ৰ বিশ্বৰ পৰা হেৰুৱালা
নিজক।
নিশা হ'লে পদপথতে বিচাৰি লোৱা আশ্ৰয়
চেঁচা বতাহজাকে কঁপাই যায় প্ৰাণ,
নিস্তব্ধ চহৰৰ কোলাহলে তোমাক আমনি নকৰে
কাৰণ তোমাৰ বুকুত তাতকৈ ডাঙৰ ধুমুহা লৰে।



## আপোনত্বৰ ভ্ৰম

**উৰিশ্মা নাথ**
গৰুখুটি

কোনো নহয় চিৰ আপোন, নহয় কোনো পৰ
সময়ৰ পালতৰা নাৱেৰে অচিন সোঁতৰ টানত
অজান পথৰ অসংখ্য বাঁক অতিক্ৰম কৰি আহিছোঁ।
তথাপিও জীৱনৰ দুৰ্গম বাটত
দুখৰ গধুৰ বোজা নীৰৱ অভ্যাসৰ দৰে
আজিও কান্ধত কঢ়িয়াই ফুৰিছোঁ।
হাঁহিৰ আঁৰত সযতনে লুকুৱাই ৰাখিছোঁ
অসংখ্য অব্যক্ত বিষাদৰ ইতিহাস;
যিসকলৰ হাতত হাত ধৰি
জীৱনৰ পথত খোজ মিলাইছিলোঁ,
যিসকলক হৃদয়ৰ আপোন বুলি ভাবিছিলোঁ,
সময়ৰ এক নিষ্ঠুৰ সন্ধিক্ষণত
তেওঁলোকেই যেন অচিনাকিৰ দৰে আঁতৰি গ'ল।
বিপদৰ মুহূৰ্তত যাক আপোন বুলি
কাষত বিচাৰিছিলোঁ,
সিয়েই যেন পৰৰ শাৰীত থিয় হ'ল।
তেতিয়াই জীৱনে মোক নিঃশব্দে
এটা গভীৰ সত্য শিকাই দিলে,
জীৱন নামৰ কিতাপত
নাই আপোনত্বৰ কোনো পৃষ্ঠা।
ইয়াত সম্পৰ্কবোৰ সময়ৰ সোঁতত সলনি হয়,
মানুহবোৰ প্ৰয়োজনৰ ঋতুত আহে আৰু যায়;
মাথোঁ অভিজ্ঞতাৰ দাগবোৰেই
চিৰদিনৰ বাবে হৃদয়ৰ পৃষ্ঠাত খোদিত হৈ ৰয়।
সেয়ে আজি বুজিছোঁ,
আপোন বুলি ধৰি ৰখাতকৈ
নিজকে নিজৰ সাহস কৰি গঢ়ি তোলাটোৱেই
জীৱনৰ আটাইতকৈ গভীৰ শিক্ষা।

# হয়বৰগাঁৱত শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ দহদিনীয়া কৰ্মশালাৰ সামৰণি



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁৱৰ হয়বৰগাঁও লাওখোৱা ৰোডস্থিত সাৰ্বজনীন নামঘৰৰ উদ্যোগত শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰই আয়োজন কৰা খোল, তাল, নাগাৰা আৰু বৰগীতৰ দহদিনীয়া কৰ্মশালাৰ সফলতাৰে সামৰণি পৰে। ১ জুলাইৰ পৰা ১০ জুলাইলৈকে অনুষ্ঠিত বৰগীত, খোল, তাল আৰু নাগাৰাৰ কৰ্মশালাত সৰ্বমুঠ ৩৭ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা, বিশিষ্ট লেখিকা তথা হিন্দী ভাষাভূষণ সন্মানপ্ৰাপক ড° মণিকা শইকীয়া। অনুষ্ঠানৰ শুভাৰম্ভ কৰে শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ সভাপতি ভূৱন চন্দ্ৰ বৰাই। আদৰণি ভাষণ ৰাখে সাৰ্বজনীন নামঘৰ পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ হাজৰিকাই। কৰ্মশালাখনিত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে মমী গোস্বামী (বৰগীত), সমীৰণ বৰা বৰবায়ন (খোল), দীপমণি বৰা (নাগাৰা), প্ৰদীপ শইকীয়াই (তাল)। ১২ জুলাইত অনুষ্ঠিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ বিশিষ্ট সাংস্কৃতিক শিল্পী তথা সত্ৰীয়া সংস্কৃতিৰ সাধক ৰুবুল মহন্ত আৰু শ্যামলীমা বৰা। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন বিষয়ববীয়াসকল আৰু অভিভাৱকসকল। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে নিজৰ অনুষ্ঠান প্ৰদৰ্শন কৰাৰ লগতে বিশেষভাৱে আমন্ত্ৰিত শিল্পী সকল ৰিতুস্মিতা শইকীয়া, যুক্তাশ্ৰী শইকীয়া, পাখী বৰা আৰু জেউতি ৰাজবংশীয়ে দশাৱতাৰ নৃত্য, বালক কৃষ্ণ নৃত্য, সত্ৰীয়া নৃত্য আৰু লোকগীত প্ৰদৰ্শন কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। নিমন্ত্ৰিত অতিথি আৰু নৱপ্ৰজন্মৰ ফালৰ পৰা বক্তব্য ৰাখে গুণীন্দ্ৰ গায়ন আৰু কেশৱানন্দ বৰাই। শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰই সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এইবাৰৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত বিশেষ সফলতা লাভ কৰা কৃতী ছাত্ৰ-ছাত্ৰী ক্ৰমে কুঁৱলী কাশ্যপ, বিদিশা দাস, প্ৰজ্ঞাজিৎ কাশ্যপ, মৃগাক্ষী কেওট, অনন্যামুগ্ধা বৰা, হিমাদ্ৰী শৰ্মা, কৃষ্টি কাশ্যপ, ৰিচীতা কোঁৱৰ, প্ৰাচুৰ্য্য কমল শৰ্মা, অংকুৰ শৰ্মা, অৰিন্দম বৰা, অলংকৃতা ড'না ফুকন, কস্তুৰী বৰা, আৰিয়ন কুমাৰ চাহানী, সৃষ্টি বৰা, পঞ্চীতা পালক এখনি ফুলাম গামোচা, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে অভিনন্দন জনোৱা হয়। শিক্ষাৰ্থীসকলৰ বাবে কিতাপসমূহ সংগ্ৰহ কৰে শৰৎ চন্দ্ৰ ভূঞা আৰু শেৱালী হাজৰিকাই। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী হেমপ্ৰভা কলিতা, ৰূপা শইকীয়া, লেখিকা পূৰৱী চক্ৰৱৰ্তী সূতে শিক্ষাৰ্থীসকললৈ গ্ৰন্থ আগবঢ়ায়। অনুষ্ঠানৰ শেষত দিহানাম পৰিৱেশন কৰে নিমন্ত্ৰিত শিল্পী পাখী বৰা আৰু তেওঁৰ সংগীবৃন্দই লগতে সাৰ্বজনীন নামঘৰৰ সমূহ গোপিনীয়ে দিহানাম প্ৰদৰ্শন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে । উদ্বোধনী আৰু সামৰণি দুয়োটা অনুষ্ঠান সামগ্ৰিকভাৱে পৰিচালনা কৰে শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদিকা তথা ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰূমী লস্কৰ, সহঃসম্পাদিকা পূৰৱী চক্ৰৱৰ্তী সূত, যুগল চন্দ্ৰ হাজৰিকা আৰু প্ৰাক্তন সম্পাদক প্ৰফুল্ল কুমাৰ বৰাই। অনুষ্ঠানত বিশেষভাৱে সহায় কৰে উৎপল বৈৰাগী, সভাপতি ভূৱন চন্দ্ৰ বৰা, শৰৎ চন্দ্ৰ ভূঞা, শেৱালি হাজৰিকা, জুনু শইকীয়া, কল্পনা বৰা, হেমপ্ৰভা কলিতা, ৰঞ্জু বৰা আৰু নামঘৰীয়া প্ৰদীপ কুমাৰ শইকীয়াই। শেষত শংকৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ তৰফৰ পৰা সক্ৰিয় সদস্য হেমপ্ৰভা কলিতাই শলাগৰ শৰাই আগবঢ়ায়।

# শিৱসাগৰ পৌৰসভাত 'নক্সা' জৰীপৰ ক্ষেত্ৰভিত্তিক ভ্ৰমণ সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ ভূমি অভিলেখ আৰু জৰীপ সঞ্চালকালয়ৰ বিষয়াসকলে 'নক্সা' প্ৰকল্পৰ অধীনত যোৱা ১০ জুলাই তাৰিখে শিৱসাগৰ পৌৰসভাত এক ক্ষেত্ৰভিত্তিক ভ্ৰমণ সম্পন্ন কৰে। উল্লেখযোগ্য যে, এই ভ্ৰমণকালত বিষয়াসকলে ঘৰে ঘৰে গৈ নথি-পত্ৰ সংগ্ৰহ কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে। শিৱসাগৰ জিলাত এই প্ৰকল্পৰ সূচাৰুৰূপে ৰূপায়ণ আৰু পাৰস্পৰিক সমন্বয় অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই ভ্ৰমণসূচীত শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল য়াদৱ, শিৱসাগৰ পৌৰসভাৰ সভাপতি স্মৃতিৰেখা দত্ত আৰু ৱাৰ্ড আয়ুক্তসকল, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া, ভূমি অভিলেখ বিভাগৰ সহকাৰী সঞ্চালক আৰু জি.আই.এছ. (GIS) বিশ্লেষকসকলৰ এক বৈঠকো অনুষ্ঠিত হয় বুলি জানিব পৰা গৈছে।









# বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বৰপেটা জিলাত জিলা পৰ্যায়ৰ অনুষ্ঠান অনুষ্ঠিত




**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বৰপেটা জিলাৰ চেংগা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত জিলা পৰ্যায়ৰ এক অনুষ্ঠান আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৰপেটা জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ অজিত শৰ্মা, চেংগা আদৰ্শ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ মনোজ চৌধুৰী, চেংগা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়া ডাঃ মইনুল হক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বৰপেটাৰ জিলা আঁচনি প্ৰৱন্ধক, জিলা মিডিয়া বিশেষজ্ঞ, জিলা পৰিয়াল পৰিকল্পনা সমন্বয়ক, লগতে চেংগা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী, আশা কৰ্মী, আশা পৰিদৰ্শক, ANM আৰু অন্যান্য স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। অনুষ্ঠানত বিশ্ব জনসংখ্যা দিৱসৰ তাৎপৰ্য, পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা, কৈশোৰ স্বাস্থ্য আৰু জনসংখ্যা স্থিতিশীলতাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে ৰূপায়ণ কৰি অহা বিভিন্ন কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত সকলোকে সজাগতা বৃদ্ধিৰ জৰিয়তে সাধাৰন জনতাৰ মাজত স্বাস্থ্যসন্মত পৰিয়াল পৰিকল্পনা আৰু দায়িত্বশীল অভিভাৱকত্বৰ বাৰ্তা বিস্তাৰ কৰিবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানৰ অংশ হিচাপে, যোৱা বৰ্ষত পৰিয়াল পৰিকল্পনা কাৰ্যসূচী ৰূপায়ণত উৎকৃষ্ট অৱদান আগবঢ়োৱা আশাসকলক বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়।


স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা